# বেজালি বিদ্যাত বৰদধি গাঁৱৰ ভূমিকা

বেজালি চিকিৎসাৰ ক্ষেত্ৰত বৰদধি গাঁৱৰ স্থিতি এনেধৰণৰ :—

**শৰীৰৰ কোনো অঙ্গত তত নোহোৱা আৰু সিৰা-বাগৰা বেমাৰ :** কোনো লোকৰ এনে বেমাৰ হ'লে শ্ৰীমহেশ মালাকাৰে ( পিঃ কান্দেমল ) চিকিৎসা কৰিব পাৰে। এই চিকিৎসা পুৰুষানুক্ৰমে এওঁৰ পৰিয়ালত চলি আছে।

**গৰু-ছাগলিৰ বিভিন্ন অচিন ৰোগ :** বৰদধি গাঁৱৰ শ্ৰীহৰিণ মালাকাৰে এনে চিকিৎসা কৰে।

**সৰু ল'ৰা-ছোৱালীৰ নজৰ লগা (মুখলগা) :** শ্ৰীমতী কুলেশ্বৰী কলিতাই (স্বাঃ শ্ৰীআকলু) এনে চিকিৎসা কৰে।

**ল'ৰা-ছোৱালীৰ মুখত "ঘাঁ" হোৱা, লেং আৰু জাংথা বেমাৰ :** শ্ৰীমতী সোণেশ্বৰী কলিতাই ( স্বাঃ শ্ৰীকৰকটু ) এনে চিকিৎসা কৰে।

**মানুহৰ সান্নিপাতিক জ্বৰ আৰু ভূত-প্ৰেতে ধৰিলে :** শ্ৰীহিৰণ্য মহন্তই (পিঃ তাৰিণীচৰণ মহন্ত) এনে চিকিৎসা কৰে। এওঁলোকৰ বংশত এই চিকিৎসা পুৰুষানুক্ৰমে চলি আছে। অৱশ্যে আজি-কালি এনে জ্বৰৰ প্ৰাচুৰ্ভাৱ কমিছে। ভূত-প্ৰেতৰ ধাৰণাও মানুহৰ কমিছে। কিন্তু এওঁৰ ওচৰলৈ মানুহ এতিয়াও আহি থাকে।

**মানুহ-গৰুৰ শৰীৰত কাঁইটে বিন্ধি ভিতৰতে থাকিলে :** ভড়াটোল চুবুৰিৰ শ্ৰীনগেন মালাকাৰে ( পিঃ পিতৃৰাম ) মন্ত্ৰৰ দ্বাৰা শৰীৰৰ ভিতৰত থকা কাঁইট উলিয়াই দিব পাৰে। এওঁলোকৰ ঘৰত এই চিকিৎসা পুৰুষানুক্ৰমে চলি আছে।

**মানুহ-গৰুৰ বিভিন্ন ৰোগৰ চিকিৎসা :** শ্ৰীপ্ৰবীন চন্দ্ৰ কলিতাই (গানৰু) নিম্নলিখিত চিকিৎসাবোৰ কৰে।

(১) ল'ৰা-ছোৱালীৰ দাঁতত পোঁকে ধৰিলে, পোঁক মৰাই দিব পাৰে, (২) চকুত কোট পোকে ধৰিলে, উলিয়াই দিব পাৰে,

(৩) হালোৱা গৰুৰ কান্ধত বগল নামিলে, ভাল কৰি দিব পাৰে, (৪) বাজনগৰু প্ৰথম হালত দিওঁতে যদি ঘোমাই (শুই পৰে) অথবা অন্য প্ৰকাৰে দিগ্ দাৰা কৰে, এনে অভ্যাস এওঁ নোহোৱা কৰি দিব পাৰে।

হেৰোৱা গৰু-ছাগলি পাব নে নেপায় কৈ দিব পাৰে বৰদধি গাঁৱৰ শ্ৰীমণিৰাম দাসে (পিঃ বতহু)।

তিৰোতা মানুহৰ বিভিন্ন ৰোগৰ চিকিৎসা শ্ৰীসুৰেণ বনিয়াই (পিঃ কোৰেঙা) কৰে। এওঁলোকৰ বংশত এই চিকিৎসা পুৰুষানুক্ৰমে আছে।

চকুত ছাটমাৰা আৰু চকু লালপৰা ৰোগৰ চিকিৎসা বামুণৰড়ী চুবুৰিৰ শ্ৰীপদ্ম কলিতাৰ পৰিয়ালে কৰে।

বৰদধি গাঁৱৰ বেজালি চিকিৎসাৰ নমুনা ইমানেই। উল্লেখ্য যে, বিজ্ঞানৰ অভূতপূৰ্ব উন্নতিৰ যুগতো এনে চিকিৎসাবোৰ চলি আছে।

—□—

# বিভিন্ন আন্দোলনত বৰদধি গাঁৱৰ ভূমিকা

দেশৰ আন্দোলন মানেই আছিল স্বাধীনতাৰ আন্দোলন। এই আন্দোলন চলিছিল কংগ্ৰেছ দলৰ নেতৃত্বত। ১৯২৬ চনত অসমৰ পাণ্ডুত কংগ্ৰেছৰ বাৰ্ষিক অধিৱেশন বহে। এই অধিবেশনত বৰদধি গাঁৱৰ স্বৰ্গীয় নিধিৰাম দাসে সেচ্ছাসেৱক হিচাপে যোগদান দিছিল। ইয়াৰ পিছত ১৯৩০ চনত এওঁ বৰদধি গাঁৱত কংগ্ৰেছৰ এখন চমু অধিৱেশন (Mini Session) অনুষ্ঠিত কৰে। ইয়াত কংগ্ৰেছৰ প্ৰায়বোৰ নেতাই (বিষ্ণুৰাম মেধি, গোপীনাথ বৰদলৈ, দীননাথ মেধি, তৰুণৰাম ফুকন আদি) যোগদান দিয়ে।

এই অধিৱেশনে বৰদধি গাঁৱত তথা সমগ্ৰ অঞ্চলটোতে এক অভূতপূৰ্ব জাগৰণৰ সৃষ্টি কৰে। প্ৰায় লোকেই স্বাধীনতাৰ আন্দোলনত জপিয়াই পৰে। বৰদধি গাঁৱৰ নেতৃস্থানীয় আন্দোলনকাৰীসকল আছিল

যথা— নিধিৰাম দাস, লক্ষীৰাম মালাকাৰ, তুটিৰাম কলিতা, তাৰিণীচৰণ মহন্ত, উপেন মহন্ত, ফটিক চন্দ্ৰ মহন্ত, অলিত চন্দ্ৰ গোস্বামী (মহন্ত) আৰু অন্নদাচৰণ মহন্ত। এই আন্দোলন বহুদিন চলে। পিছৰ পৰ্য্যায়ত যোগদান কৰা আন্দোলনকাৰীসকল আছিল,— গোপাল ঠাকুৰীয়া, জয়ৰাম কলিতা ( পিঃ গোন্ধৰাম ), সুশীল মহন্ত, নন্দ মহন্ত, নৰেন্দ্ৰ নাথ আদি। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত গাওঁখনৰ প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে যোগদান দিছিল। এই সময়তে চলিছিল দ্বিতীয় বিশ্বযুদ্ধ। এই যুদ্ধত ইংৰাজক যুদ্ধৰ সামগ্ৰী যোগানত বাধা সৃষ্টিৰ বাবে ৰাষ্টা-ঘাটৰ দলংবোৰ ভাঙি পেলোৱা হৈছিল। এই গ্ৰন্থৰ লেখক এই সময়ত হাজো হাইস্কুলৰ ছাত্ৰ আছিল। স্কুলৰ শিক্ষা পৰিত্যাগ কৰি লেখকে ৰাষ্টা-ঘাটৰ ওপৰত থকা দলং ভাঙা কামত যোগদান দিছিল। এই কামৰ নেতৃত্ব লৈছিল গুৱালকুছি গাঁৱৰ সেইসময়ৰ ছাত্ৰ "প্ৰিয় দাস" নামৰ ছাত্ৰজনে এইদৰে ১৯৪৭ চনৰ ১৫ আগষ্টত দেশে স্বাধীনতা লাভ কৰে।

এই স্বাধীনতাৰ আন্দোলনত মুক্তিযুজাৰু হিচাপে চিহ্নিত হৈ পেঞ্চন ভোগ কৰা বৰদধি গাঁৱৰ ব্যক্তিসকল হৈছে,—

**নিধিৰাম দাস :** এওঁৰ বিধবা পত্নী হৰমায়া মালাকাৰে পেঞ্চন ভোগ কৰি আছে। ৪/১০/৫৮ তাৰিখে নিধিৰাম দাসৰ মৃত্যু হয়।

**উপেন মহন্ত :** এওঁ নিজে পেঞ্চন ভোগ কৰাৰ পিছত ১৭/৯/৮২ তাৰিখে এওঁৰ মৃত্যু হয়। মৃত্যুৰ পিছত বিধবাৰো মৃত্যু হয় আৰু ল'ৰা-ছোৱালীও সাবালক হোৱাৰ বাবে পেঞ্চন বন্ধ হৈ যায়।

**অলিত চন্দ্ৰ গোস্বামী ( মহন্ত ) :** ৬/৮/৮৭ তাৰিখে এওঁৰ মৃত্যু হয়। এওঁৰ বিধবা পত্নী চম্পাবালা মহন্তই পেঞ্চন ভোগ কৰি আছে।

**অন্নদাচৰণ মহন্ত :** ১৯৬৭ চনত এওঁৰ মৃত্যু হয়। এওঁৰ বিধবা পত্নী লক্ষীবালা মহন্তই পেঞ্চন উপভোগ কৰি আছে। এওঁ পৰিয়ালসহ দক্ষিণ পাৰৰ শিকাৰহাটী সত্ৰৰ বাসিন্দা হৈছে।

**সুশীল মহন্ত :** এওঁ পেঞ্চন উপভোগ কৰি আছিল। ১/১/৯৮ তাৰিখে এওঁৰ মৃত্যু হয়। এওঁৰ বিধৱা পত্নী জানেকীবালা মহন্তই বৰ্তমান পেঞ্চন পোৱাৰ পথত।

**শ্ৰীভুপেন্দ্ৰ চন্দ্ৰ মহন্ত :** এওঁ কংগ্ৰেছী লোক নাছিল। এওঁ আছিল বিপ্লৱী দলৰ (R.C.P.I.) লোক। ভাৰত চৰকাৰে এওঁক মুক্তি যুঁজাৰু হিচাপে চিহ্নিত কৰি পেঞ্চন দিছে।

**শ্ৰীশ্ৰীদামচন্দ্ৰ মহন্ত :** দ্বিতীয় বিশ্বযুদ্ধত এওঁ ইংৰাজৰ অধীনত মিলিটাৰী বিভাগৰ চাকৰি কৰি থাকোতে চিঙ্গাপুৰত জাপানৰ হাতত যুদ্ধবন্দী হয়। ইয়াতে তেওঁ নেতাজী সুভাষ বসুৰ আজাদহিন্দ ফৌজত যোগদান দিয়ে। যুদ্ধৰ শেষত এওঁ ভাৰতলৈ প্ৰত্যাৱৰ্ত্তন কৰে। পৰৱৰ্ত্তী কালত ভাৰত চৰকাৰে এওঁকো মুক্তিযুঁজাৰু হিচাপে চিহ্নিত কৰি পেঞ্চন দিছে।

**শ্ৰীমতী হৰমায়া মালাকাৰ :** এওঁ মুক্তিযুঁজাৰু নিধিৰাম দাসৰ পত্নী। ১৯৯৮ চনৰ ১৫ আগষ্টত অসম চৰকাৰে এওঁকো মুক্তিযুঁজাৰু হিচাপে তাম্ৰপত্ৰ প্ৰদান কৰিছে।

এওঁৰ উপৰিও বৰদধি গাঁৱত আৰু কিছু মুক্তিযুঁজাৰু আছিল। তেওঁলোকে কি কাৰণত মুক্তিযুঁজাৰু হিচাপে চিহ্নিত নহ'ল আৰু পেঞ্চন নাপালে, বুজা নগ'ল।

ইয়াৰ পিছত অসমত হোৱা আনবোৰ আন্দোলন হৈছে,—

১৯৬৬ চনৰ খাদ্য আন্দোলন, ১৯৬৯ চনৰ তেল শোধনাগাৰ আন্দোলন, ১৯৬০ চনৰ ভাষা আন্দোলন, ১৯৭২ চনৰ ভাষাৰ মাধ্যম আন্দোলন, ১৯৭৪ চনৰ কলেজ শিক্ষকৰ আন্দোলন আৰু ১৯৭৯-৮৪ চনৰ বিদেশী বিতাৰণ আন্দোলন।

এই প্ৰতিটো আন্দোলনতে বৰদধি গাঁৱৰ লোক জড়িত। ভাষাৰ মাধ্যম আন্দোলনত বৰদধি সনাতন যুৱক সঙ্ঘৰ সদস্যসকলে ১১/১১/৭২ তাৰিখে হাজো উপপতি সমাহৰ্ত্তাৰ কাৰ্য্যালয়ত অনুষ্ঠিত সত্যাগ্ৰহত যোগদান দিছিল। বিদেশী বিতাৰণৰ আন্দোলনটো বৰদধি গাঁৱৰ সমূহ যুৱক-যুৱতীয়ে ১৭/১১/৭৯ তাৰিখে গুৱাহাটীত অনুষ্ঠিত গণ-সত্যাগ্ৰহত যোগদান দিছিল।

বিদেশী বিতাৰণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ বাবে বৰদধি

গাঁৱৰ নির্য্যাতিত ব্যক্তিসকল হৈছে,

শ্রীপ্রভাত চন্দ্র মহন্ত, বিপুল মহন্ত, শ্রীভাবত চন্দ্র মালাকাৰ আৰু শ্রীদণ্ডিৰাম দাস (লেখক)।

এই আন্দোলনৰ সময়ত এই লেখকে মালিগাঁৱত ৰেলৰ চাকৰি কৰি ১৯৮৩ চনত অৱসৰ গ্রহণ কৰে। আন্দোলনত সক্রিয় অংশ গ্রহণ কৰাৰ বাবে এই লেখকে ১১২ দিন কার্য্যালয়ত অনুপস্থিত থাকে। অৱসৰৰ পিছত ইয়াৰে অনেক দিনৰ পাবলগীয়া দৰমহা লেখকে নাপালে।

এই আন্দোলনত দমদমা আঞ্চলিক ছাত্র সন্থাই বিশিষ্ট ভূমিকা লৈছিল। বৰদধি গাঁৱৰ শ্রীথানেশ্বৰ মালাকাৰ আছিল ইয়াৰে সভাপতি। বৰ্ত্তমান এওঁ নগাঁও জিলাৰ 'ADC' হিচাপে কাম কৰি আছে।

ইতিমধ্যে অসমত "আলফা সংগঠন"ৰ জন্ম হয়। ফলত ১৯৯১ চনৰপৰা অসমত চৰকাৰী আৰু বেচৰকাৰী সন্ত্রাসবাদৰ ৰাজত্ব চলে। ওপৰত উল্লেখ কৰা "বিপুল মহন্ত" এই সন্ত্রাসবাদৰ ফলত ৮/৯/৯১ তাৰিখে গুৱাহাটীত নিধন হয়। ইয়াৰ উপৰিও বৰদধি গাঁৱৰ "ৰাজকমল চৌধুৰী (ৰাতুল)" সেনা বাহিনীৰ জিম্মাত ৩০/৯/৯১ তাৰিখে নিধন হয়। এই দুয়োটা ঘটনাই বৰদধি গাঁওবাসীৰ বাবে অতীৱ নিদাৰুণ আৰু বেদনাদায়ক আছিল।

বৰদধি গাঁৱৰ দক্ষিণ-পশ্চিমত পানীখাইটি বিল অৱস্থিত। বৰদধি আৰু অভয়পুৰ গাঁৱৰ ই উমৈহতীয়া সম্পত্তি। এই বিলত ২৮/২/৬৫ তাৰিখে ব্যৱসায়িক ভিত্তিত মাছ ধৰা সংক্রান্তৰ ঘটনাত বৰদধি গাঁৱৰ অনেকজন ব্যক্তি ফৌজদাৰী মোকৰ্দ্দমাত অভিযুক্ত হয়। ইয়াৰ আচামী-বোৰ আছিল, যথা—

গোপাল ঠাকুৰীয়া, হোটক কলিতা, প্রফুল্ল মহন্ত, ৰজনী মহন্ত (পিঃ হৰিশ্চন্দ্র), ৰাধাৰাম দাস, যাদু কলিতা (শিক্ষক), নিধিৰাম দাস (নিংনা), লক্ষীৰাম মালাকাৰ, ৰহিৰাম দাস, ৰাজেন্দ্র মালাকাৰ, গিৰিশ মালাকাৰ (শিক্ষক), সুশীল মহন্ত আৰু সর্বশ্রী দ্বীপচন্দ্র মহন্ত, ভবেন বনিয়া, জীৱন দাস, চুৰেণ বনিয়া (পিঃ কেৰেঙা), শ্রীকান্ত কলিতা, প্রবীণ চন্দ্র

কলিতা (পংক্ত), মনমোহন মালাকাৰ, মহেন্দ্ৰ চন্দ্ৰ মালাকাৰ ( শিক্ষক ), কেশৱ মালাকাৰ ( পিঃ গোবিন্দ ); উত্তম মালাকাৰ আৰু খৰ্গ মালাকাৰ ( পিঃ দুখু )।

অভিযুক্ত আচামীসকলৰ ভিতৰত থকা তিনিজন স্কুল শিক্ষক চাকৰিৰ পৰা নিলম্বিত হৈছিল। ১৯৬৮ চনত ফৌজাদাৰী মোকৰ্দ্দমাৰ হুকুম বাহিৰ হয় আৰু আচামীসকলক দোষমুক্ত বুলি ঘোষণা কৰে। তিনিও-জন শিক্ষক পুনৰ চাকৰিত মকৰল হয় আৰু নিলম্বিত সময়ৰ দৰমহাও পায়। এই ঘটনাত হাজো পুলিচে বৰদধি গাঁৱৰ লোকক নানা অত্যাচাৰ কৰিছিল। কামৰূপ জিলাৰ Addl S P চাহাবে তদন্ত কৰি হাজো পুলিচক ধিক্কাৰ দিছিল। এই ঘটনাত বৰদধি গাঁৱৰ মহিলাসকলে পুলিচী নিৰ্যাতন প্ৰতিহত কৰিবলৈ সক্ষম হৈছিল। বৰদধি গাঁৱৰ ইতিহাসত ই এক স্মৰণীয় ঘটনা।

ইয়াৰ পিছত বৰদধি বালিকা বিদ্যালয়ৰ ক্ষেত্ৰত ১৯৫৭ চনত আন এক ফৌজাদাৰী মোকৰ্দ্দমা হয়। ইয়াৰ আচামীসকল আছিল,—

গোপাল ঠাকুৰীয়া, মহিম কোচ, নিধিৰাম দাস ( নিংনা ), বক্সিৰাম মালাকাৰ ( পিঃ অগ্নি ), হৰেন্দ্ৰ পটোৱা, গিৰিশ মালাকাৰ (শিক্ষক) আৰু সৰ্বশ্ৰী মহেন্দ্ৰ চন্দ্ৰ মালাকাৰ (শিক্ষক), নবীন চন্দ্ৰ মালা-কাৰ, কৈলাশপতি মালাকাৰ, কেশৱ মালাকাৰ (পিঃ গোবিন্দ), দেৱদাস পাঠক আৰু দণ্ডিৰাম দাস (লেখক) ২৯.৯.৫৮ তাৰিখে মোকৰ্দ্দমাৰ হুকুম হয় আৰু আচামীসকল দোষমুক্ত বুলি প্ৰমাণ হয়।

পানীখাইটি বিল আৰু বৰদধি বালিকা প্ৰাথমিক বিদ্যালয়ৰ দুয়োটা ঘটনাই গাঁওখনৰ বাবে একোটা আন্দোলন আছিল।

ইয়াতে উল্লেখ কৰিব পাৰি যে ১৯৫৫ চনৰ নৱেম্বৰ মাহৰ ১৬ তাৰিখে ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰপাৰৰ চাপৰিত থকা বিলত এই অঞ্চলৰ প্ৰায় এক হাজাৰ মান মানুহে মাছ ধৰিবলৈ যায়। ওচৰৰে বৰবৈ-দিয়া গাঁৱৰ কিছু মুছলীম লোকে তাত বাধা দিয়ে। বাইজে বাধা নমনাত মুছলীম লোকসকলে ঘৰলৈ গৈ যাঠি-জোং, বন্দুক-বাৰুদ লৈ থেদি অহাত

বাইজ পলায়। কিন্তু বৰদধি গাঁৱৰ লোকসকল নপলালে। ইয়াৰ ফলত বৰদধি গাঁৱৰ ভাবিত দাস ( পিঃ অভিৰাম ) আৰু সোণাৰাম মালাকাৰ ( পিঃ পুৱাৰাম ) দুয়োজনে বৰ বেয়াকৈ মাৰ-পিট খায়। ইয়াৰ বাবে ফৌজদাৰী মোকৰ্দ্দমা চলিছিল ; কিন্তু পৰিচালনা কৰা নেতাৰ অভাৱত আচামীবোৰে খালাছ পায়। বৰদধি গাঁৱৰ বাবে ইও এক আন্দোলন।

যুগৰ পৰিবৰ্তন হৈছে যদিও বৰদধি গাঁৱৰ লোকৰ সচেতনতাৰ অভাৱ হোৱা নাই। ই অধিক শক্তিশালী হওক —এই আশাৰে।

—০—

## শিক্ষাৰ ক্ষেত্ৰত বৰদধি গাঁৱৰ ভূমিকা

শিক্ষাই হ'ল সভ্যতাৰ মাপকাঠি, এই শিক্ষাৰ ক্ষেত্ৰত বৰদধি গাঁৱৰ স্থান তেনেই পিছপৰা নহয়। সনাতন আতাৰ বংশৰ কৃষ্ণৰায় মহন্তই কি শিক্ষা লাভ কৰিছিল জনা নাযায় ; কিন্তু তেওঁ ১৮৭৬ চনমানতে গুৱাহাটীৰ আদালতত মুক্তিয়াৰ হিচাপে কাম কৰাৰ কথা জনা যায়। জীনাৰাম কেওটে ১৮৯৮ চন মানতে পুলিচ বিভাগত জামাদাৰৰ চাকৰি কৰিছিল। হৰি ভকতৰ বংশৰ যজ্ঞৰাম মালীয়ে ১৯০১ চনৰেপৰা প্ৰাইমাৰী স্কুলৰ শিক্ষকতা কৰিছিল। মুক্তিযুঁজাৰু নিধিৰাম দাসে ১৯২০ চনতে মেট্ৰিক (এণ্ট্ৰেন্স) পৰীক্ষা পাচ কৰিছিল। জীনাৰাম কেওটৰ পুত্ৰ দুটিৰাম দাসে ১৯২৩ চনতে মণ্ডলী চাকৰি কৰিছিল। এই সময়তেই সনাতন আতাৰ বংশৰ দুলাল চন্দ্ৰ মহন্তই গুৱাহাটীৰ আদালতত মহৰী কাম কৰিছিল। দেহীয়াৰাম কোচৰ পুত্ৰ জয়ৰাম দাসে যোৰহাটৰ নৰ্মাল স্কুলত শিক্ষকতা কৰিছিল। মুক্তিযুঁজাৰু নিধিৰাম দাস আৰু মহৎ চন্দ্ৰ মহন্তই ১৯৩০ চনৰেপৰা প্ৰাইমাৰী স্কুলত শিক্ষকতা কৰিছিল। মুক্তিযুঁজাৰু নিধিৰাম দাসে ১৯১২ চনত আৰু বামুণবৰী চুবুৰিৰ দণ্ডি মালীৰ পুত্ৰ 'নন্দী মালীয়ে' ১৯৩২ চনতে প্ৰাইমাৰী স্কুলৰ প্ৰতিযোগিতামূলক বৃত্তি পাইছিল। শ্ৰীশ্ৰীদামচন্দ্ৰ মহন্ত আৰু পদ্ম মালীয়ে (পিঃ মায়াৰাম)

১৯৩৪ চনতে মেট্ৰিক পৰীক্ষা পাচকৰে আৰু ১৯২৩ চনত এই গ্ৰন্থৰ লেখকে আৰু নৰেন্দ্ৰনাথ দাসে মেট্ৰিক পৰীক্ষা পাচ কৰে। ২৬/১'৪৬তাৰিখে মটৰ দুৰ্ঘটনাত পদ্ম মালীৰ গুৱাহাটীত মৃত্যু হয়।

দেশৰ স্বাধীনতাৰ পিছৰেপৰা গাঁওখনত শিক্ষিত লোকৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি হ'বলৈ ধৰে। বৰ্তমান বৰদধি গাঁৱৰ উচ্চ শিক্ষিত লোকৰ সংখ্যা এনেধৰণৰ—

| | | | |
|---|---|---|---|
| M A— | 12 | B.A.M.S— | 2 |
| M. A/Hindi— | 1 | B.A Bisharad— | 11 |
| A.C.S— | 4 | B E/Mech— | 2 |
| P.C.S— | 1 | B.E/Civil— | 4 |
| A.P.S.C— | 1 | B.E Electronic | 1 |
| B A/L.L B— | 4 | B Sc— | 13 |
| B A/Advocate— | 1 | B. Com— | 9 |
| B.A/B.T— | 1 | B. A— | 94 |
| M.B.B S— | 1 | B.A/Prabin— | 2 |
| | | | '64 |

বৰদধি গাঁৱৰ উচ্চ-শিক্ষিত লোকৰ সংখ্যা সম্প্ৰদায়গত ভাৱে এনেধৰণৰ :—

| সম্প্ৰদায় | পৰিয়াল | উচ্চ শিক্ষিত লোক |
|---|---|---|
| কলিতা | ৬৯ | ৩২ |
| মালী | ৮৮ | ৭০ |
| বনিয়া | ২৬ | ১ |
| মহন্ত | ৫৬ | ১৯ |
| কোচ | ২৬ | ১৪ |
| কেওট | ১০ | ১০ |
| কোঁৱৰ | ২ | ১ |
| মুচী | ১ | |
| ছেত্ৰী | ১ | ১ |
| পটোৱা | ৫২ | ৬ |
| | ৩৩১ | ১৬৪ |

ওপৰত উল্লিখিত হিচাপত গুৱাহাটীলৈ যোৱা লোকৰ ল'ৰা-ছোৱালীৰ হিচাপ ধৰা হোৱা নাই। তাত বহুতো উচ্চ ডিগ্ৰীধাৰী ল'ৰা-ছোৱালী আছে। ইয়াৰ উপৰিও তলৰখাপৰ অৰ্থাৎ Matriculate, P U আদি পাচ কৰা অনেক ল'ৰা-ছোৱালী আছে। আৰ্থিক অৱস্থা উন্নত হ'লে, অধিক উচ্চ-শিক্ষিত ল'ৰা-ছোৱালী ওলাব।

# কলা-কৃষ্টি, খেলা-ধূলা আৰু সাহিত্যত বৰদধি গাঁৱৰ ভূমিকা

কলা-কৃষ্টি, খেলা-ধূলা আৰু সাহিত্য হৈছে এটা জাতি আৰু সমাজৰ সভ্যতা, সংস্কৃতি আৰু প্ৰগতিৰ দাপোণস্বৰূপ। প্ৰাচীন কালৰেপৰা এইবোৰৰ ক্ষেত্ৰত চৰ্চ্চা আৰু প্ৰসাৰতো বৰদধি গাঁৱত থকাটো দেখা যায়। ইয়াৰ থুল-মূল বিৱৰণ এনেধৰণৰ—

**কলা কৃষ্টি :** হাজোৰ খোপকগুৰি সত্ৰৰ ধৰ্মাচাৰ্য্য লক্ষীকান্ত আতৈৰ দ্বিতীয়জন পুত্ৰ সনাতন আতা ১৬৭৫ চনত বৰদধি গাঁৱলৈ আহি সত্ৰ নিৰ্মাণ কৰে আৰু একশৰণ বৈষ্ণৱ ধৰ্ম প্ৰচাৰত ব্ৰতী হয়। ১৬৮৫ চনৰ পৰা লক্ষীকান্ত আতৈৰ ছয়মাহিলী তিথিটো মাঘমাহৰ কৃষ্ণা একাদশীত 'সভা' হিচাপে বৰদধিৰ ৰাইজে পালন কৰিবলৈ ধৰে।

এই মাঘৰ সভাৰ বৈশিষ্ট্য হৈছে নাম-প্ৰসঙ্গ কৰা, ভাগৱত পাঠ কৰা, সেৱাৰ গীত গোৱা আৰু নিশা যাত্ৰা-ভাওনা প্ৰদৰ্শন কৰা। ইয়াৰ উপৰিও বৰদধি গাঁৱত পালন কৰে গুৰুসকলৰ (মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, মথুৰাদাস বুঢ়াআতা আৰু আন বহুতো গুৰু) তিৰোভাৱ আৰু জন্মদিন আদি। এইবোৰতো নাম-প্ৰসঙ্গকে ধৰি যাত্ৰা-ভাওনাৰ প্ৰদৰ্শন হয়। শ্ৰীকৃষ্ণৰ দৌলযাত্ৰাও দলৰ পথাৰত বৰদধি ৰাইজে ৰমক-

জমক্‌কৈ পালন কৰিছিল। অৰ্থাৎ বৰদধি গাঁৱত সত্ৰ-অনুষ্ঠান প্ৰতিষ্ঠিত হোৱাৰ পিছত নাট্য-শিল্পৰ জন্ম হয়। ইয়াৰ আগৰ কথা জনা নাযায়।

এইসময়ত মানুহৰ প্ৰায় প্ৰতি ঘৰতে একোটাকৈ 'খোল' আছিল। মাঘৰ সভা আৰু বিভিন্ন তিথি-পৰবত খুলীয়াৰ দলে যাত্ৰা-ভাওনাৰ প্ৰদৰ্শন কৰি গাঁৱৰ আৰু অঞ্চলৰ ৰাইজক আনন্দ দিছিল। সুন্দৰৰ বংশৰ নিধিৰাম মহন্ত আৰু সৰ্বানন্দৰ বংশৰ সোণাৰাম মহন্তই কাঠৰ মূৰ্ত্তি (মুখা) পিন্ধি সভাস্থলীত ভাওনা দেখুৱাই আৰু দৰ্শকক হুহুৱাই নাড়ী-ভূৰি কঁপাই তুলিছিল। সনাতন আতাৰ বংশৰ অভয় মহন্তই হনুমানৰ ভাও লৈ শৰীৰত থৈলাৰ চোলা পিন্ধি আৰু তাত জুই লগাই দি দৰ্শকক হতভম্ব কৰিছিল। এই বংশৰে ভুবন মহন্ত আৰু চন্দ্ৰ মহন্তই বৰকাণ্ডাজ আৰু সূত্ৰধাৰৰ ভূমিকাত থাকি নাটকৰ আৰম্ভণি আৰু বিষয়বস্তু ব্যাখ্যা কৰি দিছিল। ললিত চন্দ্ৰ মহন্ত আছিল দলৰ বায়ন। মাটিয়া বনিয়াৰ পুত্ৰ ধৃতি বনিয়া উৎকৃষ্ট খোলবাদক আছিল।

সেই সময়ত অভিনীত নাটকবোৰ আছিল— পৰশুৰামৰ মাতৃ-হত্যা, কুৰু-পাণ্ডৱৰ যুদ্ধ, দধি মথন, ৰুক্মিণী হৰণ, বভ্ৰুবাহন আদি। পৰশু-ৰামৰ মাতৃ-হত্যা নাটকত 'ৰেণুকাৰ' ভাওত শান্তিৰাম কলিতাই অভিনয় কৰি দৰ্শকক মুগ্ধ কৰিছিল বুলি এতিয়াও খ্যাতি আছে। এওঁ জাগ্‌ৰা গাঁৱৰপৰা আহি বৰদধি গাঁৱৰ বাসিন্দা হোৱা লোক আছিল।

১৯৪৪ চনত বৰদধি গাঁৱত দুটাকৈ যাত্ৰা-গানৰ দল হয়। ইয়াৰে এটাৰ ওস্তাদ আছিল— তাৰিণী চৰণ মহন্ত আৰু আনটোৰ দুটিৰাম কলিতা। এওঁলোকে বৰদধি গাঁৱৰ বাহিৰেও কামৰূপ জিলাৰ বিভিন্ন গাঁৱত ( শিঙিমাৰী, ওৰগাল, তলীয়া, চাংসাৰী, চেঁচামুখ আদি ) যাত্ৰা-গান প্ৰদৰ্শন কৰিছিল। এওঁলোকে প্ৰদৰ্শন কৰা নাটকবোৰ আছিল— অভিমন্যু বধ, হৰিশ্চন্দ্ৰ, অম্বৰীষৰ ব্ৰহ্মশাপ, কনৌজ কুঁৱৰী, নগা-কোঁৱৰ, সান্ধ্য-সমৰ, অৱন্তীৰ ৰজা, চিলাৰায়ৰ দিগ্‌বিজয়, শ্ৰীৰামচন্দ্ৰ আদি।

অভিমন্যু বধ নাটকৰ শিল্পীসকল আছিল; অভিমন্যু— ধৰণীধৰ দাস আৰু সুশীল মহন্ত, যুধিষ্ঠিৰ– ৰাজেন্দ্ৰ মালাকাৰ, দ্ৰোণচাৰ্য্য— নন্দ

মহন্ত, উত্তৰা— কান্দুৰাম দাস, কুন্তী—উপেন মহন্ত ( পিঃ বালোভদ্ৰ ), ভীম— থানুৰাম বনিয়া, অৰ্জ্জুন— তাৰিণীচৰণ মহন্ত, নকুল— পৰমানন্দ মহন্ত, সহদেৱ— উপেন মহন্ত ( পিঃ পদ্ম ), জয়দ্ৰথ— অন্নদাচৰণ মহন্ত, দুঃশাসন— আলহু মালাকাৰ, দুৰ্যোধন— ধৰ্মকান্ত মহন্ত, কৰ্ণ— খৰ্গেশ্বৰ মালাকাৰ (পিঃ বেঙা , সাত্যকি—নাৰদ কলিতা, উত্তৰা—কান্দুৰাম দাস, গান্ধাৰী— শান্তিৰাম কলিতা।

হৰিশ্চন্দ্ৰ নাটকৰ শিল্পীসকল আছিল : দুৰ্বাসা— নেউলা মালাকাৰ ( এওঁ গানৰ দলৰ মেনেজাৰ আছিল কাৰণে মানুহে এওঁক মেনেজাৰ হিচাপেও জানিছিল ), হৰিশ্চন্দ্ৰ— গণেশ মালাকাৰ, বিশ্বমিত্ৰ— উত্তম মালাকাৰ, ইন্দ্ৰ— যোগেশ্বৰ পাঠক, বশিষ্ঠ— মহিশচন্দ্ৰ মহন্ত, সন্ধ্যা— ৰজনী মালাকাৰ।

অম্বৰীষৰ ব্ৰহ্মশাপ নাটকৰ শিল্পীসকল আছিল : শ্ৰীদেৱদাস পাঠক (বৰ্ত্তমান গান্ধীবাদীত), মুহিচন্দ্ৰ মহন্ত, বক্তি মালাকাৰ (পিঃ চন্দ্ৰ), বাঞ্চিত মালাকাৰ ( পিঃ দেহজুৰ ), খৰ্গেশ্বৰ কলিতা ( পিঃ জোখা ), পতিৰাম মালাকাৰ আদি।

কনৌজ কুঁৱৰী নাটকৰ শিল্পীসকল আছিল : পৃথ্বিৰাজ— সুশীল মহন্ত, জয়চাঁদ—খৰ্গেশ্বৰ মালাকাৰ, সমৰসিংহ—বিপিন দাস (মালাকাৰ) মহম্মদ ঘোৰী— গিৰিশ কলিতা, গিয়াচুদ্দিন— যোগেন মহন্ত, অজয়— উত্তম মালাকাৰ, সংযুক্তা— বিষ্ণুৰাম মালাকাৰ, চিৰঞ্জীৱ— যোগেন বনিয়া। এই নাটকৰ আন শিল্পীসকল হৈছে— উত্তম কলিতা, প্ৰভাত মহন্ত (পিঃ প্ৰাণচন্দ্ৰ), ৰাজেন্দ্ৰ মহন্ত (পিঃ লক্ষী) আদি।

নগা কোঁৱৰ নাটকৰ অভিনয়ত আছিল— সুশীল মহন্ত, অন্নদাচৰণ মহন্ত, হলি মালাকাৰ, সোণাৰাম মালাকাৰ (পিঃ পুৰাৰাম), উপেন মহন্ত, গোবিন্দ মহন্ত (পিঃ বালোভদ্ৰ) আৰু গিৰিশ কলিতা।

সান্ধাসমৰ নাটকত মহেন্দ্ৰ চন্দ্ৰ মালাকাৰে (শিক্ষক) অৰ্জ্জুনৰ ভাওত অভিনয় কৰি দৰ্শকক মুগ্ধ কৰি তুলিছিল।

অৰক্ষীৰ ৰজা নাটকত ভোগৰাম কলিতাই ৰজাৰ অভিনয়ত মঞ্চত প্ৰৱেশ কৰাৰ লগে লগে দৰ্শকৰ মাজত হাঁহিৰ খলকনি উঠাত ৰজাৰ

মুখৰপৰা বচন বন্ধ হৈ পৰিছিল। ৰজাৰ দৃশ্যত এওঁ ইমান শোভনীয় হৈ উঠিছিল যে দৰ্শকে হাঁহি সামৰিব নোৱাৰা হৈ পৰিছিল। দেখাসকলে আজিও এই দৃশ্য স্মৰণ কৰে।

চিলাৰায়ৰ দ্বিগ্‌বিজয় নাটকৰ শিল্পীসকল আছিল : নৰনাৰায়ণ— অন্নদাচৰণ মহন্ত, চিলাৰায়— সুশীল মহন্ত, গৌড়ৰ ৰজা— গিৰিশ কলিতা।

বিভিন্ন নাটকত অভিনয় কৰা বৰদধি গাঁৱৰ আন আন শিল্পীসকল হৈছে, যথা :— সৰ্বশ্ৰী গজেন্দ্ৰ মালাকাৰ, ৰমা মহন্ত, মনিৰাম দাস (পিঃ বগুহু), ভৱকান্ত দাস, হিৰণ্য মহন্ত, করুণা মহন্ত (পিঃ তাৰিণীচৰণ), শ্ৰীকান্ত কলিতা, নবীন মালাকাৰ (পিঃ শান্তি), ধৰ্মেশ্বৰ মালাকাৰ (পিঃ নিধি), অতুল দাস (পিঃ ভাবিত), সুৰেণ বনিয়া (পিঃ ভবেন), ললিতচন্দ্ৰ কলিতা, ৰমণী মালাকাৰ, পুতুল মহন্ত, সুৰথ বনিয়া আৰু জ্যোতিষ ঠাকুৰীয়া।

নন্দ মহন্ত আৰু পতিৰাম মালাকাৰ বিবেক গান গোৱাত অদ্বিতীয় আছিল। চোকোৰাৰ দলৰ তেতিয়াৰ ল'ৰাবোৰ আছিল— উপেন মহন্ত (পিঃ পদ্ম), গোবিন্দ মহন্ত (পিঃ বলোভদ্ৰ), ৰাগীৰাম কলিতা, গিৰিশ মালাকাৰ (পিঃ বৰিহনা) আৰু সৰ্বশ্ৰী ৰবান মালাকাৰ, কান্দু মালাকাৰ, গিৰিশ কলিতা, গিৰিশ মহন্ত আদি।

ইয়াৰ পিছত এই ক্ষেত্ৰত গাঁৱখনত কিছু স্থবিৰতা আহে। ১৯৬৮ চনৰপৰা পুনৰ ডেকা-গাভৰুৰ মাজত জাগৰণৰ সৃষ্টি হয়। সহ-অভিনয়ৰ আৰম্ভ হয় : এওঁলোকে অভিনয় কৰা কিছু নাটক হৈছে— ভিক্ষাৰী, অভিনন্দন, জীৱন যুঁজৰ কাহিনী, মানুহ, জীৱন্ত কবৰ, ক্ৰান্তি কল্লোল, গোলাপ ফুল, মহাযুদ্ধৰ সেনাপতি, গৰিবী হতাও আদি। এই নাটকবোৰৰ শিল্পীসকল হৈছে, যথা— সৰ্বশ্ৰী যোগেন দাস, অৰবিন্দ মালাকাৰ খগেন কলিতা, ভাস্কৰ দাস, সমীন মালাকাৰ, বিনোদ কলিতা, নিশাকাৰ মালাকাৰ, বিপুল মহন্ত, মনোৰঞ্জন কলিতা, ভূপেন মালাকাৰ, সবিতা দাস, গীতা বনিয়া, সৱিতা মহন্ত, লাৱণ্য মহন্ত,

দীপিকা মালাকাৰ, মঞ্জুৰাণী দাস, গীতাৰাণী মহন্ত, ডিম্বেশ্বৰ কলিতা, ঘনশ্যাম মালাকাৰ, কাৰ্ত্তিক মহন্ত, দীপক মহন্ত, গিৰিশ দাস, হৰি কোঁৱৰ, ভবেশ মহন্ত, সাবিত্ৰী মালাকাৰ, সুচিত্ৰা মালাকাৰ, চিংকী মহন্ত, ধিৰাজ দাস আদি।

১৯৮৭ চনত ভূপেন মালাকাৰে "সূৰ্য্যমুখী" নামৰ এটি থিয়েটাৰ দল গঠন কৰি বিভিন্ন ঠাইত অভিনয় প্ৰদৰ্শন কৰিছিল। সঙ্গীতৰ ক্ষেত্ৰত বৰদধি গাঁৱৰ গিৰিশ মহন্তই অনাতাৰ শিল্পী হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। সুৰথ বনিয়াইও গান-বাদ্যৰ ক্ষেত্ৰত যথেষ্ট বুৎপত্তি লাভ কৰিছে। বৰদধি শংকৰী কৃষ্টি বিকাশ সংঘই প্ৰশিক্ষণৰ জৰিয়তে গাঁওখনৰ ল'ৰা-ছোৱালী অনেককে গান-বাদ্যত পৈণত কৰি তুলিছে।

বৰদধি গাঁৱৰ নাগ্ৰা নামৰ প্ৰচলনো অতি পুৰণি। সেই তাহানিতে নাগ্ৰা বজোৱাত অতি পাৰ্গত আছিল কাৰণে নাৰদ বুঢ়াৰ বংশৰ এজন লোকৰ নাম 'নাগেৰা' হিচাপেই ৰাখিছিল। ১৯১০ চনৰপৰা ১৯৭৮ চনৰ ভিতৰত গাঁওখনত কেইবাটাও নাগৰা নামৰ দল আছিল। ইয়াৰ পাঠক-সকল আছিল, যথা— ৰাতিৰাম কোচ, মধুৰাম কলিতা, প্ৰসন্ন কলিতা, আৰু সৰ্বশ্ৰী দেৱদাস পাঠক, যোগেশ্বৰ পাঠক, অচ্যুৎ পাঠক, পদ্ম কলিতা আৰু অন্নৰাম কলিতা।

মাজতে কেইটামান বছৰ সঞ্জুৰী নামৰ বৰকৈ প্ৰচলন হৈছিল। এতিয়াও আছে; কিন্তু "থিয় নাম" আৰু আয়তিসকলৰ "দিহা নাম" অতি জনপ্ৰিয় হৈ উঠিছে। গাঁওখনত ওজাপালিৰ দলো আছিল আৰু এতিয়াও আছে। এই অনুষ্ঠানৰ ওজাসকল হৈছে— মহেন্দ্ৰ কোচ, ৰাজেন্দ্ৰ মহন্ত আৰু চন্দ্ৰ দাস। ইয়াৰ দাইনাপালিসকল হৈছে— ভাবিত দাস আৰু প্ৰবীণ কলিতা। পালিসকল হৈছে— তুষিত দাস, জয়ৰাম কলিতা, গোবিন্দ মালাকাৰ, নাৰায়ণ কলিতা, সৰ্বশ্ৰী ভেবো মালাকাৰ, বসন্ত মালাকাৰ, বসন্ত দাস, বনন্ত কলিতা আৰু খৰ্গ মালাকাৰ বৰদধি গাঁৱৰ ওজাসকল 'ব্যাস গোৱা' ওজাহে।

দেওঁয়াৰাম কোচৰ বংশৰ ভুহিৰাম কোচৰ নেতৃত্বত ঢুলীয়াৰ দলো

আছিল। এতিয়াও চুৰেণ বনিয়াৰ ( পিঃ কেৰেঙা ) নেতৃত্বত ঢুলীয়াৰ দল আছে।

বৰদধি গাঁৱত "ভাইটী ক্লাব" নামৰ এটা দল আছে। এওঁলোকৰ উদ্যোগত গাঁওখনত এটা ছুচৰি গোৱা দলৰ সৃষ্টি হৈছে। এওঁলোকে এই অঞ্চলত অনুষ্ঠিত বিহু-উৎসৱাদিত বিহু-হুচৰি প্ৰদৰ্শন কৰি সুনাম অৰ্জন কৰি আছে।

এই সকলোবোৰৰ উপৰিও গাঁওখনৰ বিশেষ কৃষ্টি হৈছে নাম-প্ৰসঙ্গ, ভাগৱত পাঠ, সেৱাৰ গীত গোৱা আৰু পালনাম গোৱা। এই কৃষ্টিবোৰে গাঁওখনৰ প্ৰাণ-সঞ্চাৰ কৰি আছে।

**খেলা-ধুলা :** খেলা-ধূলাৰ ক্ষেত্ৰটো বৰদধি গাঁৱৰ অতীত ৰোমাঞ্চকৰ। ইয়াত হাওখেল, হাথা-খেল, ঢোপখেল, ৰচীটনা খেল, জপিওৱা খেল আৰু মল্লযুঁজৰ খেল হৈছিল। ১৯৩০ চন মানৰপৰা ইয়াত ফুটবলৰ খেলাও আৰম্ভ হয়। ফুটবল খেলাত অন্নদাচৰণ মহন্ত আৰু নৰেন্দ্ৰনাথ দাস অন্যতম আছিল। পৰৱৰ্ত্তী কালত ধীলন চন্দ্ৰ মহন্ত, অতুল চন্দ্ৰ মহন্ত আৰু ভাৰত দাসেও এই খেলত পাৰদৰ্শিতা দেখুৱাইছিল আৰু পুৰস্কৃতও হৈছিল।

এই সকলোবোৰ খেলৰ পৰিবৰ্ত্তে এতিয়া গাঁওখনত ভলীবল, কেৰম আৰু ক্ৰিকেট খেলৰ পয়োভৰ বাঢ়ি গৈছে। সৰু সৰু ল'ৰা-ছোৱালীবোৰেও ক্ৰিকেট খেলৰ সকলো কথাকে জনা হৈছে। প্ৰকৃততে অনাতাঁৰ, দূৰদৰ্শন আৰু সংবাদ মাধ্যমৰ বহুল প্ৰচাৰৰ ফলতে এনে পৰিস্থিতি হৈছে।

মল্লযুঁজৰ ক্ষেত্ৰখনো বৰদধি গাঁৱৰ কাৰণে গৌৰৱময় আছিল। বুঢ়া কলিতাৰ বংশৰ সোণমল কলিতাই মল্লযুঁজৰ প্ৰতিযোগিতাত কৃতিত্ব অৰ্জন কৰিছিল। বৰ্ত্তমান গাঁওখনত কোনো মল্লযুঁজাৰু নাই। এই খেল এতিয়া আন্তৰ্জাতিক খেল হৈ পৰিছে।

এই বিজ্ঞানৰ যুগত বিশ্বত নানাধৰণৰ খেলৰ জন্ম হৈছে যদিও গাঁওখনৰ ল'ৰা-ছোৱালীৰ কোনো আগ্ৰহ দেখা নাই, মাত্ৰ ক্ৰিকেট খেলতে বেছি উৎসাহ।

সাহিত্য : সাহিত্য হৈছে সমাজ তথা জাতিৰ সভ্যতাৰ চানেকি। এই ক্ষেত্ৰত বৰদধি গাঁৱৰ ভূমিকা নিৰাশজনক নহয়। বৰদধি গাঁৱৰ যিসকল ব্যক্তিৰ কলমত সাহিত্যৰ সৃষ্টি হৈছে, সেই সকলৰ পৰিচয় এনেধৰণৰ—

মহং চন্দ্ৰ মহন্ত— এওঁ সনাতন আতাৰ বংশধৰ। ১৯৪১ চনত এওঁ "শ্ৰীলক্ষীকান্ত আতৈৰ চৰিত্ৰ" নামৰ পুথিখন লিখে।

ভূপেন চন্দ্ৰ মহন্ত— এওঁ সনাতন আতাৰ বংশৰ লোক। ১৯৪২ চনত এওঁ "বিপ্লৱী খেতিয়ক" নামৰ এখন পুস্তিকা প্ৰকাশ কৰে আৰু ইংৰাজ চৰকাৰৰ নজৰবন্দী হৈ গুৱাহাটী চহৰতে নিৰ্বাসিত হয়। দেশৰ স্বাধীনতাৰ পিছত ভাৰত চৰকাৰে এওঁক মুক্তিযুঁজাৰু হিচাপে চিহ্নিত কৰে আৰু পেঞ্চন দিয়ে।

গোবিন্দ চন্দ্ৰ মহন্ত— এওঁ সনাতন আতাৰ বংশধৰ। এওঁ জীৱন-বীমা, কৃষক নাতি, পথৰ যাত্ৰী আদি কেইবাখনো উপন্যাস লিখে। ১৯৭৩ চনত এওঁ অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক নিৰ্বাচিত হৈছিল।

খৰ্গেশ্বৰ মালাকাৰ— এওঁ ভড়াটোল চুবুৰিৰ লঠৈৰা মালীৰ বংশৰ। এওঁ "ব্যৰ্থতাৰ গীত" নামৰ গীতৰ পুথি এখন লিখে।

বিপিন দাস (মালাকাৰ)— এওঁ বামুণবৰী চুবুৰিৰ দণ্ডি মালীৰ পুত্ৰ। এওঁ "সোণবৰণীয়া বেঁকা ৰেখা" নামৰ এখন উপন্যাস লিখে।

শ্ৰীৰামচন্দ্ৰ মহন্ত—এওঁ সনাতন আতাৰ বংশৰ লোক। এওঁ "কামৰূপীয়া খুলীয়া যাত্ৰা" নামৰ এখন পুথি ৰচনা কৰে। ছাত্ৰ অৱস্থাত এওঁ কেইবাখনো বঙালী নাটক অসমীয়ালৈ অনুবাদ কৰি বৰদধি গাঁৱৰ যাত্ৰা দলক সহায় কৰিছিল। এওঁ ৰচনা কৰা কেইবাখনো গ্ৰন্থ আৰ্থিক অনাটনৰ কাৰণে অপ্ৰকাশিত হৈ থকা বুলি জনা যায়।

চিত্ৰ মহন্ত— এওঁ সনাতন আতাৰ বংশধৰ। এওঁ আটাইকেইখনতকৈও অধিক মৌলিক গ্ৰন্থ লিখি সাহিত্যৰ ভঁড়াল চহকী কৰিছে। ইয়াৰ ভিতৰত কিছু অনুবাদ গ্ৰন্থও আছে। ১৯৮৭ চনত এওঁ অসম সাহিত্য সভাৰ কোষাধ্যক্ষও নিৰ্বাচিত হৈছিল। ১৯৯০ চনত এওঁ কামৰূপ জিলাৰ

সাহিত্য পৰিষদৰ (বৰ্তমান সভা) সভাপতিও হৈছিল। এওঁ সাহিত্য ৰত্ন উপাধিও লাভ কৰিছে। অহিন্দী অঞ্চলত হিন্দী ভাষাত আলোচনী সম্পাদনা কৰা কাৰণেও এওঁ দিল্লীৰ এটা সংগঠনৰপৰা সৰ্বোচ্চ বঁটা লাভ কৰিছে। কাকতে-পত্ৰেও এওঁ বিভিন্ন বিষয়ৰ প্ৰবন্ধ আৰু আলোচনী আগবঢ়াই সুনাম অৰ্জন কৰিছে। অৱশেষত অসম চৰকাৰে এওঁলৈ সাহিত্যিক পেঞ্চনো প্ৰদান কৰিছে।

জয়ৰাম দাস — এওঁ দেহীয়া কোচৰ পুত্ৰ। দেশৰ স্বাধীনতাৰ বহু আগতে এওঁ যোৰহাটৰ নৰ্মাল স্কুলত শিক্ষকতা কৰিছিল। এওঁ কেইবাখনো গ্ৰন্থ ৰচনা কৰা বুলি জনা যায়। এওঁ চিৰকুমাৰ আছিল। যোৰহাটতে এওঁৰ মৃত্যু হয়। পৰিয়ালৰ লোকে সময়মতে খবৰ নোলোৱাত এওঁৰ কোনো লিখনিকে উদ্ধাৰ কৰিব পৰা নহ'ল। গাঁওখনৰ বাবে ই এক অপূৰণীয় ক্ষতি।

দণ্ডিৰাম দাস (এই গ্ৰন্থৰ লেখক)—"বৰদধি গাঁৱৰ চমু ইতিবৃত্ত" আৰু "দমদমা অঞ্চলৰ চমু ইতিহাস" নামৰ দুখন সৰু গ্ৰন্থ লেখকে প্ৰকাশ কৰিছে। লেখকৰ আৰু কেইখনমান গ্ৰন্থ প্ৰকাশৰ পথত আছে। ইতিমধ্যে ভালেমান আলোচনী আৰু স্মৃতি-গ্ৰন্থত লেখকৰ কিছু প্ৰবন্ধ প্ৰকাশ পাইছে।

এইসকলৰ উপৰিও থানেশ্বৰ মালাকাৰ (ACS)ৰ সম্পাদনাত মুক্তি যুঁজাৰু নিধিৰাম দাসৰ সোঁৱৰণত প্ৰকাশ পোৱা "স্মৰণিকা", পৰেশ মালাকাৰ (M )ৰ সম্পাদনাত প্ৰকাশ পোৱা "ডেউকা" আৰু ৰমণী মালাকাৰ (PCS)ৰ সম্পাদনাত চণ্ডীগড়ৰ পৰা প্ৰকাশিত "Teaching of Sri Sankarjev" প্ৰণিধানযোগ্য। থানেশ্বৰ মালাকাৰ, ৰবীন্দ্ৰ নাথ মালাকাৰ (প্ৰাঃ বিধায়ক), শৰৎ চন্দ্ৰ মালাকাৰ (M. Ed), খগেন মহন্ত (MA) আৰু ফনীধৰ মালাকাৰে (শিক্ষক) বিভিন্ন আলোচনীত নানা প্ৰবন্ধ প্ৰকাশ কৰিছে। ৰশ্মিকান্ত মালাকাৰ, নাৰায়ন মালাকাৰ (পিঃ কৈলাশপতি), ৰমেন কলিতা (MA) আৰু ৰাজেন্দ্ৰ মহন্তই (MA) কবিতা লিখি সাহিত্যৰ ভঁড়াল চহকী কৰাৰ লগতে বৰদধি গাঁৱৰ গৌৰৱ বৃদ্ধি কৰিছে।

ইয়াতে উল্লেখ কৰিব পাৰি যে, ১৯৭৬ চনত বৰদধি গাঁৱত 'জ্ঞানোদয় আলোচনা চক্র' নামৰ এক অনুষ্ঠানৰ জন্ম হয়। এই অনুষ্ঠানে বৰদধি গাঁৱত ডেকা-গাভৰুৰ মাজত সাহিত্য চৰ্চ্চাৰ প্ৰতি এক প্ৰেৰণাৰ সঞ্চাৰ কৰে। পৰৱৰ্ত্তী সময়ত গাঁৱৰ সকলোৱে দমদমা সাহিত্য সভাৰ সদস্য হোৱাত "জ্ঞানোদয় আলোচনা চক্র"টো নিষ্ক্ৰীয় হৈ পৰে। ইয়ে বৰদধি গাঁৱৰ কোনো ক্ষতি সাধন কৰা নাই, বৰং এতিয়া দুগুণ উৎসাহেৰে গাঁৱৰ ডেকা-গাভৰুবোৰ সাহিত্য চৰ্চ্চাত ব্ৰতী হৈ পৰিছে। ই এক শুভ লক্ষণ।

□ ✲ □

# ৰাজনীতিত বৰদধি গাঁৱৰ স্থান

জনসাধাৰণ আৰু দেশৰ সৰ্বতোপ্ৰকাৰে সেৱা, সাৰ্বভৌমত্ব ৰক্ষা আৰু মঙ্গল সাধন কৰাই হ'ল ৰাজনৈতিকৰ প্ৰকৃত আৰু প্ৰধান কৰ্ত্তব্য। এই উদ্দেশ্য সাৰোগত কৰিয়ে জাতিৰ জনক মহাত্মা গান্ধীৰ নেতৃত্বত ইংৰাজ শাসনৰ বিৰুদ্ধে আন্দোলন কৰে সমগ্ৰ ভাৰতবাসীয়ে।

১৯২৬ চনত অসমৰ পাণ্ডুত ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল। এই অধিৱেশনত বৰদধি গাঁৱৰ নিধিৰাম দাসে বিশিষ্ট ভূমিকা লৈছিল। ধাৰাবাহিক ভাৱে চলোৱা আন্দোলনৰ ফলতে ১৯৪৭ চনৰ ১৫ আগষ্টত দেশে স্বাধীনতা লাভ কৰে।

স্বাধীন দেশ হোৱাৰ পিছত চৰকাৰে জনসাধাৰণৰ মঙ্গলৰ অৰ্থে গাঁও পঞ্চায়তৰ সৃষ্টি কৰিলে। ১৯৫৩ চনত এনেদৰে গঠিত হোৱা হাজো গাঁও পঞ্চায়তৰ সভাপতি হয় বৰদধি গাঁৱৰ ভূপেন্দ্ৰ চন্দ্ৰ মহন্ত। এওঁৰ কাৰ্য্যকালতে গেৰুৱা গাঁৱত পঞ্চায়তৰ কাৰ্যালয় গৃহ নিৰ্মাণ হয়। এইসময়ত পঞ্চায়ত এলেকাৰ গাঁৱসমূহত কিছু উন্নয়নমূলক কামো হৈছিল।

ইতিমধ্যে জয়প্ৰকাশ নাৰায়ণৰ নেতৃত্বত প্ৰয়াত ইন্দিৰা গান্ধৰী স্বৈৰাচাৰী শাসনৰ বিৰুদ্ধে কংগ্ৰেছ বিৰোধী আন্দোলন আৰম্ভ হয়। এই আন্দোলনৰ পটভূমিতে ইন্দিৰা গান্ধীৰ প্ৰধানমন্ত্ৰীত্ব লোপ পায় আৰু ১৯৭৮ চনৰ নিৰ্বাচনত কেন্দ্ৰত জনতা দলৰ চৰকাৰ গঠন হয়। এই নিৰ্বাচনত বৰদধি গাঁৱৰ ৰবীন্দ্ৰনাথ মালাকাৰ জনতা দলৰ প্ৰাৰ্থী হিচাপে হাজো সমষ্টিৰ বিধায়ক নিৰ্বাচিত হয়। গাঁওখনৰ বাবে ই এক অতি গৌৰৱৰ কথা।

১৯৭৯ চনৰপৰা ১৯৮৪ চনলৈ অসমত ছবছৰীয়া বিদেশী বিতাৰণ আন্দোলন চলে। ইয়াতো বৰদধি গাঁওবাসীৰ ভূমিকা অনন্য আছিল। এই আন্দোলনৰ পৰিপ্ৰেক্ষিতত্তে অসমত "অসম গণ পৰিষদ" দলৰ জন্ম হয় আৰু ১৯৮৬ চনৰ নিৰ্বাচনত অসম গণ পৰিষদ দলে চৰকাৰ গঠন কৰে। ১৯৮৬ চনৰ পৰা ১৯৮৯ চনলৈকে লেখকে গুৱাহাটী মহকুমা পৰিষদত ২নং হাজো গাঁও পঞ্চায়ত এলেকাৰ (দমদমা) পৰা কাউন্সিলাৰ হিচাপে কাৰ্য্য-নিৰ্বাহ কৰে। লেখকে এতিয়ালৈকে অসম গণ পৰিষদ দলৰ আঞ্চলিকৰ সভাপতি হৈ আছে।

বৰদধি গাঁৱৰ এক বৈশিষ্ট্য হৈছে— ইয়াত পদ-লেহনকাৰী কোনো ব্যক্তি নাই। এই গাঁৱৰ লোক স্পষ্টবাদী আৰু সদা সচেতন। তাৎপৰ্য্যপূৰ্ণ ভাৱে স্বাধীনতাৰ পিছৰেপৰা গাঁওখনে চৰকাৰী অনুগ্ৰহৰ ক্ষেত্ৰত সদায় মাহীআইৰ মৰম পাই আছে। স্মৰণীয় যে ৮ জনতকৈও অধিক মুক্তিযুঁজাৰু, ২ জন শ্বহীদ আৰু সৰহসংখ্যক নিৰ্য্যাতিত লোক থকা গাঁও এই অঞ্চলটোৰ ভিতৰত নাই।

সি যিকি নহওক, বৰদধি গাঁৱৰ লোক ৰাজনীতিত সদায় গণতান্ত্ৰিক হৈয়েই থাকিব।

# বৰদধি গাঁৱৰ আৰ্থিক দিশ

প্ৰাচীন কালৰেপৰা বৰদধি এখন কৃষি-প্ৰধান গাঁও। ইয়াৰ ৮০ শতাংশ লোকেই কৃষক আছিল। এওঁলোকে ধান, মাহ, সৰিয়হ, মৰাপাট, কুঁহিয়াৰ আদিৰ খেতি কৰিছিল। কপাহৰ খেতি কৰি কাপোৰৰ চাহিদাও পূৰণ কৰিছিল। প্ৰায় লোকে আত্ম-নিৰ্ভৰশীল আছিল।

সেই কালত সঘনাই বানপানীয়ে খেতি-পথাৰ ডুবাই পেলাইছিল যদিও কাচিৎহে খেতি অনিষ্ট হৈছিল। আহুধান পানীয়ে নষ্ট কৰিলেও পানী শুকোৱাৰ পিছত তাত গজালি ওলাই পুনৰ ধান হৈছিল। এই ধানক "নানী ধান" বুলিছিল। বাওধানৰ খেতি বানপানীত অনিষ্ট প্ৰায় নহৈছিল।

১৯৪৭ চনত দেশ স্বাধীন হয়। চৰকাৰে বানপানী প্ৰতিৰোধৰ নামত ঠায়ে ঠায়ে মথাউৰি নিৰ্মাণ কৰিবলৈ ললে। কিন্তু এই মথাউৰিবোৰে খেতি-পথাৰ ৰক্ষা কৰাৰ পৰিৱৰ্ত্তে ধ্বংসহে কৰিবলৈ ধৰিলে। কাৰণ প্ৰতি বছৰে বানপানীয়ে মথাউৰি ভাঙি অনিষ্ট সাধন কৰিয়েই আছে; বৰং বেছিকৈহে অনিষ্ট কৰিছে। স্বাধীনতাৰ আগলৈকে প্ৰায়বোৰ কৃষকৰে একোখনকৈ নৌকা আছিল। মথাউৰি হোৱাৰ ফলত নৌকাৰ অৱলুপ্তি ঘটে। পৰিবহন ব্যৱস্থাৰপৰা কৃষক বঞ্চিত হয়। ১৯৬২ চনৰ বানপানীৰ পিছৰপৰা কৃষকৰ পানীত হাঁহ নচৰা অৱস্থা হয়। অনেকে দিন-হাজিৰা কৰি চলিবলৈ বাধ্য হয়। পেটৰ দায়ত কৃষিৰ জমী বিক্ৰী কৰি শেষ কৰে।

বৰ্ত্তমান গাঁওখনৰ পৰিয়ালৰ সংখ্যা ৩৩১ ঘৰ। আগতে থকা ৮০ শতাংশ কৃষকৰ গাঁওখনত এতিয়া ২২ শতাংশ পৰিয়ালৰহে হাল-গৰু আছে। অৱশ্যে হাল-গৰু নথকা ১০/১২ ঘৰ পৰিয়ালে ট্ৰেক্টৰৰ সহায়ত খেতি কৰে। ওপৰত উল্লেখ কৰা ২২ শতাংশ পৰিয়ালৰ দুৰাৱস্থাৰ সীমা নাই। সময়ত এওঁলোকেও হাল-গৰু এৰিব বুলিহে ভয় হয়।

অসম আন্দোলনৰ পিছৰে পৰা গাঁওখনত শিক্ষিত, অৰ্দ্ধ-শিক্ষিত আৰু অশিক্ষিত ডেকা-গাভৰুৰে গাঁওখন ভৰি পৰে। এওঁলোকক কেৱল চাকৰি লাগে। কিন্তু চাকৰি ক'ত পায় বা কোনে দিব। গতিকে হাল-গৰুও নাই, চাকৰিও নাই। কেৱল নৈৰাশ্যৰ সৃষ্টি। আনপিনে নিবনুৱা সমস্যা সমাধানৰ কাৰণে চৰকাৰী কোনো উদ্যোগ নাই।

বৰদধি গাঁৱৰ ৩৩১ ঘৰ পৰিয়ালৰ ১৩৪ ঘৰত কোনো চাকৰিয়াল নাই, ৪৩ ঘৰ পৰিয়ালৰ ১ বিঘাকৈও জমী নাই। বৰ্ত্তমান বৰদধি গাঁৱৰ উচ্চ-শিক্ষিত নিবনুৱা লোকৰ সংখ্যা— ৭৫ গৰাকী। অৰ্দ্ধ-শিক্ষিত আৰু অশিক্ষিত লোকৰ সংখ্যা যথেষ্ট। চাকৰিয়াল লোকৰ সুবিধা বৰ বেছি আৰু তেওঁলোকৰ জীৱনৰ নিৰাপত্তা আছে। তেওঁলোকে অৱসৰৰ পিছতো পেঞ্চন পায় আৰু ল'ৰা-ছোৱালীয়ে নানা সুবিধা পায়, ইত্যাদি কাৰণত প্ৰায় ডেকা-গাভৰুৱে চাকৰিমুখী হৈছে। এনেদৰে নিবনুৱাৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলত গাঁৱৰ সমাজ অস্থিৰ হৈ পৰিছে।

সৌভাগ্যৰ কথা এই যে আজি কিছু বছৰৰপৰা গাঁওখনত দুটাকৈ উদ্যোগ গঢ়ি উঠিছে। ইয়াৰে এটা হৈছে— বিভিন্ন ফুলৰ খেতি কৰি ফুল আৰু মালা বিক্ৰী কৰি ধন সংগ্ৰহ কৰা আৰু আনটো হৈছে— ব্যক্তিগত ভাৱে সমবায় গঠন কৰি আৰু তাৰপৰা ধাৰ-ঋণ লৈ ব্যৱসায় কৰা আৰু আৰ্থিক সংকটৰপৰা উদ্ধাৰ হোৱা। তাঁত-শিল্প, কুটীৰ শিল্পত নিয়োজিত লোক, কাঠ মিস্ত্ৰী (কাঠৰ মুখা, কাঠৰ ৰং-বিৰঙৰ গুৰুআসন আদি) আৰু ৰাজমিস্ত্ৰী, সোণৰ অলঙ্কাৰ বনোৱা মিস্ত্ৰীও গাঁওখনত আছে। তথাপিতো গাঁওখনৰ অনেক লোক আৰ্থিকভাৱে স্বচ্ছল নহয়।

বৰদধি এখন গাঁও ই চহৰ অথবা নগৰ নহয়। গাঁৱৰ উন্নতি কৃষকৰ উন্নতিৰ ওপৰতে নিৰ্ভৰ কৰে। এওঁলোকৰ উন্নতি সাধিবলৈ হ'লে কৰণীয় কামবোৰ হ'ব—(১) ভূমিহীন কৃষকক খেতিৰ মাটি যোগান ধৰা, (২) বানপানী আৰু খৰাং বতৰত কৃষকক প্ৰয়োজনীয় সাহায্য দান কৰা, (৩) আন আন চাকৰিয়ালৰ দৰে কৃষকক পেঞ্চন আঁচনিৰে সামৰি লোৱা। এনে কৰিলে নিবনুৱা সমস্যা আঁতৰ হ'ব। (৪) যি পৰিয়ালত এজনো

চাকৰিয়াল নাই, সেই পৰিয়ালৰ অন্ততঃ এজনক (যদি থাকে) চাকৰিত সংস্থাপিত কৰা, (৫) খেতিৰ কাৰণে গভীৰ নলী নাদ অথবা জলসিঞ্চনৰ ব্যৱস্থা কৰা, (৬) সুলভ মূল্যতে সাৰৰ যোগান ধৰা, (৭) কৃষকৰ জমীৰ ক্ষুদ্ৰ ক্ষুদ্ৰ গোটবোৰ সাল-সলনি কৰি বিজ্ঞান-সন্মত ভাবে খেতি কৰিবৰ উপযোগী কৰি দিয়া। চৰকাৰী আৰু বে-চৰকাৰী ভাৱে উদ্যোগ লৈ এই অতীৱ প্ৰয়োজনীয় কামটো কৰিব পাৰিলে কৃষকৰ উন্নতি হ'বলৈ বাধ্য আৰু (৮) এটা ব্যক্তিগত খণ্ডত উন্নয়ন সন্থা গঠনেৰে মানুহক সহায় কৰা।

ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰতো বৰদধি গাঁৱৰ স্থিতি ভাল নহয়। গাঁৱত প্ৰভাত কলিতা, গুৱাহাটী চহৰত ভূপেন চন্দ্ৰ মহন্ত, কৰুণা কুমাৰ মালাকাৰ, মুকুন্দ মালাকাৰে আৰু কোকৰাঝাৰত মাধৱ মহন্তৰ পৰিয়াল-বৰ্গই ব্যৱসায়িক ভিত্তি স্থাপন কৰিছে।

বৰদধি গাঁৱৰ আৰ্থিক পৰিস্থিতি ইমানেই। কৰ্মশক্তি নবঢ়ালে, বৈজ্ঞানিক পদ্ধতি অৱলম্বন নকৰিলে আৰু নিজৰ নিজৰ বুদ্ধিমত্তা প্ৰসাৰ নকৰিলে গাঁওখনৰ আৰ্থিক অৱস্থা এনেদৰেই থাকিব।

গতিকে গাঁওবাসীয়ে এই দিশত প্ৰচেষ্টা লব —এই আশাৰে।

# দম্‌দমা অঞ্চলত অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়াত বৰদধি গাঁৱৰ ভূমিকা

অতীতত দম্‌দমা অঞ্চল নামেৰে কোনো কথা নাছিল। দম্‌দমা নামেৰে এটি টিলাহে আছিল। অভয়পুৰ, বৰগাঁও, গেৰুৱা, ক্ষুদ্ৰদধি, বৰদধি, কুলগাটী, চেঁচামুখ, বাহানা, মনাকুছি, পছৰীয়া দলিবাৰী, দদৰা, আলিকাষ আদি গাঁৱৰ উদ্যোগত ১৯৫২ চনত সকলোৰে কেন্দ্ৰস্থান

দমদমাতে এখন মাইনৰ স্কুল (ME) স্থাপন কৰে আৰু ইয়াৰ নামকৰণ কৰে "দমদমা মাইনৰ স্কুল" হিচাপে। ইয়াৰ পিছৰপৰা আৰম্ভ কৰি এতিয়ালৈ ইয়াত দমদমা নামেৰে নানা অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি উঠিছে। এই অনুষ্ঠান-প্ৰতিষ্ঠানবোৰ হৈছে এনেধৰণৰ—

**দমদমা মাইনৰ স্কুল (ME) :** বৰদধি গাঁৱৰ মুক্তিযুঁজাৰু নিধিৰাম দাস আছিল সেই সময়ৰ হাজো তথা দমদমা অঞ্চলৰ এজন বিশিষ্ট বাগ্মীবৰ, সমাজ-সংগঠক আৰু ৰাজনৈতিক নেতা। এওঁ আছিল দমদমা মাইনৰ স্কুলৰ অন্যতম প্ৰতিষ্ঠাতা। এই স্কুল পৰিচালনা কমিটিৰ এওঁ আছিল সম্পাদক।

১৯৪২ চনত এই স্কুলখন হাইস্কুল আৰু ১৯৭৯ চনত বৰদধি গাঁৱৰ শ্ৰীৰবীন্দ্ৰনাথ মালাকাৰৰ (প্ৰাঃ বিধায়ক) উদ্যোগত উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ ৰূপান্তৰিত হয়। অঞ্চলৰ আন আন গাঁৱৰ ৰাইজৰ লগতে বৰদধি গাঁৱৰ ৰাইজৰ অৱদানো ইয়াত যথেষ্ট আছিল। এই স্কুল পৰিচালনা কমিটিৰ সদস্য হোৱাৰ উপৰিও ১৯৮৯-৯১ চনৰ সময়চোৱাত এই লেখক পৰিচালনা কমিটিৰ সভাপতি আছিল।

**পাঁচগাঁও হাইস্কুল :** বৰদধি গাঁৱৰ ৰবীন্দ্ৰনাথ মালাকাৰ (প্ৰাঃ বিধায়ক) আৰু ক্ষুদ্ৰদধি গাঁৱৰ প্ৰয়াত ললিত দাসৰ উদ্যোগত ১৯৭৬ চনত এই স্কুল স্থাপিত হয়। এই স্কুলত বৰদধি ৰাইজৰ অৱদান যথেষ্ট। অনেক বছৰধৰি স্কুল পৰিচালনা কমিটিৰ সভাপতি আছিল ৰবীন্দ্ৰনাথ মালাকাৰ (প্ৰাঃ বিধায়ক)। বৰদধি গাঁৱৰ মহেন্দ্ৰ চন্দ্ৰ মালাকাৰো (শিক্ষক) পৰিচালনা কমিটিৰ সভাপতি হৈছিল। ১৯৯৪ চনত এই স্কুল উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হয়।

**দমদমা ক্ৰীড়া সন্থা :** ১৯৬৮ চনত এই সন্থাৰ জন্ম হৈছিল যদিও ১৯৭৫ চনৰপৰা ইয়াৰ প্ৰসাৰতা বাঢ়ে। অসম আন্দোলনৰ সময়চোৱাত ই মৃতপ্ৰায় হৈছিল। লেখক আৰু প্ৰয়াত যোগেশ্বৰ কলিতাৰ (উপাধ্যক্ষ, দমদমা উঃ মাঃ বিদ্যালয়) উদ্যোগত ১৯৮৪ চনত ই সঞ্জীৱিত হয়। ইয়াৰ পিছৰপৰা এই লেখকে এই অনুষ্ঠানৰ বিভিন্ন দায়িত্ব পালন কৰে।

খেল-বিভাগৰ সভাপতি আৰু সন্থাৰ কোষাধ্যক্ষ হোৱাৰ উপৰিও ১৯৮৯ চনৰপৰা ১৯৯১ চনলৈ আৰু ১৯৯৩ চনৰপৰা ১৯৯৬ চনলৈ এই লেখক ইয়াৰ সভাপতি পদত থাকে। নানা কাৰণত এই সন্থাৰ অৱস্থা এতিয়া মৃতপ্ৰায় হৈছে।

**দম্‌দমা মহাবিদ্যালয়ঃ** ১৯৭৮ চনত দম্‌দমা মহাবিদ্যালয়খন স্থাপিত হয়। আৰম্ভণিতে মাটিৰ খেলি-মেলি লগাত বৰদধি গাঁৱৰ ৰাইজে তেওঁলোকৰ ভিতৰভূঁইৰ পথাৰখন (প্ৰায় ৪৫ বিঘামান জমী) মহাবিদ্যালয়ৰ বাবে লিখিত দান আগবঢ়াইছিল। শেষত কুলহাটী গাঁৱৰ ৰাইজে তেওঁ-লোকৰ এলেকাত থকা যোগীডোভাৰ প্ৰায় ৪৫ বিঘা চৰকাৰী খাচ্ মাটি বিনাচৰ্তে দান আগবঢ়োৱাত তাতেই মহাবিদ্যালয়খন স্থাপিত হয়। পিছত কুলহাটী গাঁৱৰ আন কেইবাজনেও তেওঁলোকৰ পট্টাৰ মাটি মহাবিদ্যালয়ৰ নামত দান দিয়ে আৰু মহাবিদ্যালয়ে কিছু মাটি কিনিও লয়।

মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত লেখকৰ শাৰীৰিক আৰু আৰ্থিক অৱদান আছিল যথেষ্ট। পিছৰ কালত বৰদধি গাঁৱৰ শ্ৰীভূপেন্দ্ৰ চন্দ্ৰ মহন্তই ইয়াৰ উন্নয়নৰ নামত দান আৰু ধাৰ-ঋণ দি যথেষ্ট সহায় কৰিছে। কংগ্ৰেছ (ই) চৰকাৰৰ শাসন-কালছোৱা বাদ দি এই লেখক সকলো সময়তে ইয়াৰ পৰিচালনা কমিটি তথা গভৰ্ণিংবডিৰ সদস্য পদত থাকে। মাজে-সময়ে লেখক সঃ সম্পাদক আৰু সম্পাদকৰ দায়িত্বতো আছিল। ভূপেন্দ্ৰ চন্দ্ৰ মহন্ত কেইবাবছৰ ধৰি পৰিচালনা কমিটি তথা গভৰ্ণিংবডিৰ সভাপতি আছিল। বৰদধি গাঁৱৰ লোকৰ দান-বৰঙণিও মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত যথেষ্ট।

**দম্‌দমা আঞ্চলিক বহাগী উৎসৱ উদ্‌যাপন কমিটীঃ** ১৯৭৮ চনৰপৰা দম্‌দমাত আঞ্চলিক ভিত্তিত বহাগী উৎসৱ পালন কৰা হয়। উদ্যোক্তাসকলে ১৯৮০ চনত পালন নকৰিলে। ১৯৮১ চনতো এই বিষয়ে কোনো চিন্তা-চৰ্চা নেদেখাত এই লেখক আৰু প্ৰয়াত মনমোহন চৌধুৰীৰ (উপাধ্যক্ষ, দম্‌দমা উঃ মাঃ বিদ্যালয়) প্ৰচেষ্টাত ১৯৮১ চনতে এই উৎসৱ পালন কৰা হয়। ১৯৮১ চনৰপৰা ১৯৮৮ চনলৈ এই আঠ বছৰকাল

এই গ্ৰন্থৰ লেখক এই উৎসৱ কমিটিৰ সভাপতি হিচাপে থাকি প্ৰতি বছৰে অতি জাক্-জমকেৰে এই উৎসৱটো পালন কৰিছিল। বৰ্ত্তমান উৎসৱটোৰ মানদণ্ড যথেষ্ট কমিছে।

**দমদমা সঙ্গীত বিদ্যালয়ঃ** ১৯৯১ চনত দমদমাত এই অনুষ্ঠানৰ জন্ম হয়। ১৯৯১ চনৰপৰা এই লেখক এই বিদ্যালয় পৰিচালনা কমিটিৰ সভাপতি। ছাত্ৰ-ছাত্ৰীৰ অভাৱ আৰু শিক্ষকক পাৰিতোষিক দিব নোৱাৰাৰ ফলত ১৯৯৭ চনৰপৰা এই স্কুল বন্ধ হৈ পৰিছে।

**দমদমা সাহিত্য সভাঃ** ১৯৬২ চনত দমদমাত দমদমা সাহিত্য সভাৰ জন্ম হয়। মাজতে কিছু বছৰ ই মৃতপ্ৰায় অৱস্থাত আছিল। ১৯৭১ চনত ই পুনৰ জীৱিত হয়। প্ৰকৃতাৰ্থত ১৯৮৭ চনৰ পৰাহে ই নৱযৌৱন কাল লাভ কৰে। দমদমা সাহিত্য সভাৰ প্ৰগতিত এই লেখকৰ যথেষ্ট অৱদান আছে। ১৯৯২ চনত কেন্দ্ৰীয় ভাৱে দমদমাত উদ্‌যাপিত বাভা দিৱস উদ্‌যাপন কমিটিৰ এই লেখক সভাপতি আছিল। ইয়াৰ উপৰিও এই গ্ৰন্থৰ লেখক দমদমা সাহিত্য সভাৰ উপদেষ্টা আৰু ৮/১১/৯৮ তাৰিখৰ সাধাৰণ সভাত এই লেখক ১৯৯৯ বৰ্ষৰ বাবে দমদমা সাহিত্য সভাৰ সভাপতি হিচাপে নিৰ্বাচিত হৈছে।

**দমদমা আঞ্চলিক বি এড্ কলেজঃ** ১৯৯৭ চনত দমদমাত এই কলেজ স্থাপন হয়। কলেজৰ বাবে মাটিৰ প্ৰয়োজন হোৱাত বৰদধি গাঁৱৰ ৰাইজে গাঁৱৰে বৰপুখুৰীৰ পাৰকেইটা আৰু প্ৰয়োজন হ'লে ইয়াৰ পানীভাগো কলেজৰ নামত দান দিয়াৰ প্ৰস্তাৱ দিয়ে। বিভাগীয় কৰ্ত্তৃপক্ষই এই মাটি পৰিদৰ্শনো কৰে। এই মাটি দেখুৱাই কলেজ কৰ্ত্তৃপক্ষই বহু কামত আগবাঢ়ে। শেষত দমদমা-শৰণীয়াত সুবিধাজনক মাটি কিনি তাতেই কলেজ-গৃহৰ আধাৰশিলা স্থাপন কৰে। এই লেখক পৰিচালনা কমিটিৰ সদস্য।

মুঠতে দমদমাৰ আন আন অনুষ্ঠানবোৰতো (১নং হাজো গাঁও পঞ্চায়ত সমবায় সমিতি লিঃ (দমদমা), দমদমা মাতৃ-মঙ্গল কেন্দ্ৰ (কুলহাটী), কুলহাটী ছোৱালী হাইস্কুল, পাঁচগাঁও আঞ্চলিক উন্নয়ণ সভা, শংকৰদেৱ

শিশু নিকেটন (কুলহাটী) আদিত। বৰদধি গাঁৱৰ অৱদান আছে। পাঁচ-গাঁও আঞ্চলিক উন্নয়ন সঙ্ঘৰ সৌজন্যত পাঁচগাঁওত বহাগী উৎসৱ পালন হয় আৰু বৰদধি গাঁৱৰ মনমোহন মালাকাৰ প্ৰায়েই ইয়াৰ সভাপতি হয়।

দম্‌দমা অঞ্চলৰ সবাতোকৈ ডাঙৰ আৰু গৌৰৱময় উৎসৱ আছিল— দম্‌দমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ। ১৯৯৪ চনৰ ১ আৰু ২ অক্টোৱৰত এই উৎসৱ অনুষ্ঠিত হয়। লেখকে এই উৎসৱ পৰি-চালনা কমিটিৰ বিত্ত বিভাগৰ সভাপতি হিচাপে কাৰ্য্য-নিৰ্বাহ কৰিছিল। এই উৎসৱলৈ বৰদধি গাঁৱৰ ভূপেন্দ্ৰ চন্দ্ৰ মহন্ত, থানেশ্বৰ মালাকাৰ (A.C.S), প্ৰভাত কলিতা আৰু সমীন দাসে (এওঁ পিতৃ তনুৰাম দাসৰ নামত দিছে) হাজাৰ টকীয়া দান দি গাঁওখনৰ গৌৰৱ বৃদ্ধি কৰিছে।

## বৰদধি গাঁৱৰ অনুষ্ঠানবোৰ

বৰদধি গাঁৱত অনুষ্ঠিত অনুষ্ঠানৰ থুল-মূল বিবৰণ এনেধৰণৰ—

**বৰদধি গাঁও উন্নয়ন কমিটী:** বৰদধি গাঁৱৰ সমাজ ব্যৱস্থাৰ বথা ইতিমধ্যে বৰ্ণনা কৰা হৈছে। কালক্ৰমত সমাজৰ বান্ধোনত শিথিলতা আহে আৰু ইয়াৰ প্ৰতিকাৰৰ অৰ্থে মুক্তিযুঁজাৰু নিধিৰাম দাসৰ প্ৰচেষ্টাত ১৯৩০ চনত "বৰদধি গাঁও উন্নয়ন কমিটী"খন গঠিত হয়। ৰাইজে এওঁকে কমিটীৰ সম্পাদক মনোনীত কৰে। এই কমিটীৰ কাম আছিল—মানুহৰ মাজত সংঘতিত হোৱা হাই-কাজিয়াৰ বিচাৰ কৰা আৰু গাঁওখনৰ সৰ্বতো-প্ৰকাৰে উন্নয়ন সাধন কৰা।

**বৰদধি শ্ৰীশ্ৰীশংকৰদেৱ পুথিভঁড়াল:** দেশৰ স্বাধীনতাৰ আন্দোলনৰ প্ৰেৰণাতে ১৯৪৬ চনত বৰদধি গাঁৱত এই পুথিভঁৰাল স্থাপিত হয়। ইয়াৰ উদ্যোক্তাসকল আছিল— সৰ্বশ্ৰী চিত্ৰ মহন্ত (সাহিত্যিক

পেঞ্চনাৰ), বিনয় মহন্ত, ৰবীন্দ্ৰনাথ মালাকাৰ ( প্ৰাঃ বিধায়ক ), ধৰ্মেশ্বৰ মালাকাৰ (পিঃ নিঃ), গিৰিশ কলিতা, প্ৰভাত মহন্ত (অসম আন্দোলনৰ নিৰ্য্যাতিত ব্যক্তি), ৰমেশ কলিতা এড্‌ভোকেট), ৰমণী কুমাৰ দাস (এল, এল, বি), ভদ্ৰকুমাৰ মহন্ত, মহেন্দ্ৰমোহন কলিতা (মণ্ডল , নবীন মালাকাৰ (পিঃ শাস্তি), জ্যোতিষ ঠাকুৰীয়া আদি।

আৰম্ভণিতে এই পুথিভড়াল বৰদধি সনাতন বুঢ়াকীৰ্ত্তনঘৰ প্ৰাঙ্গনত অনুষ্ঠিত হৈছিল। ১৯৪৭ চনত ই বৰ্তমানৰ স্থানলৈ স্থানান্তৰিত হয়। ১৯৭৪ চনত ঘৰটো ভহি-খহি যাবলৈ ধৰাত এই গ্ৰন্থৰ লেখকে নিজ খৰছত মেৰামতি কৰি দিছিল। খেৰী ঘৰৰ কাৰণে খৰছান্ত হৈ থকাত ১৯৮০ চনত ইয়াক পুনৰ নিৰ্মাণৰ ব্যৱস্থা কৰে। ইয়াৰ বাবে ওচৰতে থকা খৰ্গ মালাকাৰৰ পৰা কিছু মাটি কিনি লোৱা হয় আৰু সৰ্বশ্ৰী উত্তম, কৰুণা আৰু মহেশ মালাকাৰেও কিছু মাটি পুথি ভঁড়ালৰ নামত দান দিয়ে।

ঘৰটো নিৰ্মাণ হৈ উঠাত অসম চৰকাৰৰ পুথিভঁড়াল বিভাগৰ সঞ্চালক অভয়চৰণ বৰকটকীয়ে ১৩/৬/৮৪ তাৰিখে ঘৰটো উন্মোচন কৰে।

ঘৰ নিৰ্মাণ কমিটীৰ বিষয়-ববীয়াসকল আছিল, সভাপতি— ৰবীন্দ্ৰ নাথ মালাকাৰ (প্ৰাঃ বিধায়ক), সম্পাদক— প্ৰমোদ চন্দ্ৰ কলিতা (বৰ্তমান Inspector of Supply), উপদেষ্টা— দণ্ডিৰাম দাস (এই গ্ৰন্থৰ লেখক)।

আৰম্ভণিৰেপৰা এতিয়ালৈ পুথি-ভঁড়ালৰ বিষয়-ববীয়াসকল হৈছে—

সভাপতিসকল : প্ৰাণচন্দ্ৰ মহন্ত, শ্ৰীদামচন্দ্ৰ মহন্ত, দণ্ডিৰাম দাস (এই গ্ৰন্থৰ লেখক), চিত্ৰ মহন্ত (সাহিত্যিক পেঞ্চনাৰ), প্ৰমোদ মহন্ত, কবিন দাস (B. Com), মণিৰাম কলিতা (B.A.M S), দ্বীজেন্দ্ৰ নাথ কলিতা ( B. A ), ত্ৰৈলোক্য মহন্ত, দীপক কলিতা (B S. C.) আৰু ফণীধৰ মালাকাৰ (B.A Bi harad)।

সম্পাদকসকল : সৰ্বশ্ৰী চিত্ৰ মহন্ত ( সাহিত্যিক পেঞ্চনাৰ ), ভাবত মালাকাৰ (I.A), অৰবিন্দ মহন্ত, থানেশ্বৰ মালাকাৰ (A.D.C), শৰৎ মালাকাৰ ( M Ed ), শ্ৰীউমেশ কলিতা ( পিতৃ কালিৰাম ),

ত্ৰৈলোক্য মহন্ত, গোবিন্দ মালাকাৰ ( B.A ), গজেন্দ্ৰ মহন্ত ( B.A ) অনিল চন্দ্ৰ মালাকাৰ (B.A), শৈলেন দাস, খগেন কলিতা (B.Com), নৃপেন দাস (B.A), অৰবিন্দ মালাকাৰ ( B.A/Bisharad ), বিনোদ কলিতা, দিলীপ কুমাৰ কলিতা (B.E) আৰু ৰমেন কলিতা (M.A)।

ইয়াৰ উপৰিও সৰ্বশ্ৰী অনন্ত কুমাৰ মহন্ত, ৰমণী মালাকাৰ, ভদ্ৰকুমাৰ মহন্ত, হৰিদেৱ মহন্ত, ললিত কোঁৱৰ, খগেন মহন্ত আৰু গৌতম দাস পুথি-ভঁড়ালৰ বিভিন্ন দায়িত্বত আছিল।

গাঁওখনৰ ডেকা-গাভৰু আৰু ছাত্ৰ-ছাত্ৰীসকলে এই পুথিভঁড়ালৰ জৰিয়তে প্ৰতি বছৰে ৰঙালী বিহু উৎসৱ আৰু সাংস্কৃতিক অনুষ্ঠান উদ্-যাপন কৰি আছে। বৰদধি গাঁৱৰ মেল-মিটিংবোৰো এই পুথিভড়াল গৃহতে অনুষ্ঠিত হৈ আছে।

**বৰদধি বালিকা প্ৰাথমিক বিদ্যালয়ঃ** যিসকল ডেকাই ১৯৪৬ চনত বৰদধি শ্ৰীশ্ৰীশংকৰদেৱ পুথিভঁড়ালৰ জন্ম দিছিল, সেই একেবোৰ ডেকাই সেই বছৰতে (১৯৪৬) বৰদধি বালিকা প্ৰাথমিক বিদ্যালয়খনৰো জন্ম দিয়ে। ই প্ৰথমে বৰ্তমান পুথিভঁড়াল থকা ঠাইৰ দক্ষিণৰ ঠাইখিনিত আছিল ( এই ঠাইত বৰ্তমান শচীন দাসহঁতে ঘৰ-বস্তি কৰি আছে )। ১৯৫০ চনত এই স্কুলঘৰ বৰ্ত্তমানৰ ঠাইলৈ (হাজো-গুৱাহাটী চৰকাৰী পথৰ দক্ষিণত ) স্থানান্তৰিত হয়। বৰদধি গাঁৱত স্কুল প্ৰতিষ্ঠা নোহোৱাৰ আগলৈকে গাঁওখনৰ ল'ৰা-ছোৱালীয়ে কেন্দ্ৰীয়ভাৱে প্ৰতিষ্ঠিত গেৰুৱা প্ৰাইমাৰী স্কুলত পঢ়িছিল। গেৰুৱা স্কুলখন বৰ্ত্তমান পাঁচগাঁও প্ৰাথমিক বিদ্যালয় হিচাপে নামকৰণ হৈছে।

বৰদধি প্ৰাথমিক বিদ্যালয়ৰ ইতিহাস অতি বিচিত্ৰ। এই স্কুলৰ মাটি সংক্ৰান্তত দুটাকৈ ফৌজদাৰী মোকৰ্দ্দমা হয়। ইয়াৰে এটা ফৌজ-দাৰী মোকৰ্দ্দমা কৰে যাদৱ কলিতাহঁতে ( পিঃ কান্দুৰা ) তেওঁলোকৰ মাটিত থকা ঘৰ ভাঙি স্কুলে দখল কৰা বুলি। এয়া ১৯৫৭ চনৰ ঘটনা। মোকৰ্দ্দমাত ১২ জন লোকক আচামী হিচাপে অভিযুক্ত কৰিছিল। ১৯৫৮ চনত ইয়াৰ হুকুম বাহিৰ হয় আৰু আচামীসকল দোষমুক্ত বুলি

খালাছ পায়। এইটোৰ পিছত স্কুলৰ পূৱত থকা ধৰণীধৰ দাসহঁতৰ (পিঃ ছুটিৰাম) মাটিৰ বাবেও এটা "একুইজিচন মোকৰ্দ্দমা" হয়, ১৯৬২ চনত। ১৯৬৪ চনত ইয়াৰ হুকুম হয়, কিন্তু স্কুলে মাটি নাপালে।

সি যিকি নহওঁক, বৰ্ত্তমান এই স্কুলৰ চৌহদত বৰদধি গাঁৱৰ কেইবা-টাও অনুষ্ঠান (শংকৰদেৱ বালিকা বিদ্যাপীঠ (M.E) শংকৰদেৱ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, পাঁচগাঁও হিন্দী বিদ্যালয় আৰু বৰদধি বালো-ৱাদী কেন্দ্ৰ) গঢ়ি উঠিছে।

অঞ্চলটোৰ ভিতৰতে বৰদধি বালিকা প্ৰাথমিক বিদ্যালয়খনে যথেষ্ট প্ৰগতি লাভ কৰিছিল। এই স্কুলৰপৰা বৃত্তি লাভ কৰা ছাত্ৰ-ছাত্ৰীসকল হৈছে — সৰ্বশ্ৰী পুতুল মহন্ত ( পিঃ কৃষ্ণচন্দ্ৰ ), জয়ন্ত মালাকাৰ, প্ৰতীভা মালাকাৰ ( পিঃ বিষ্ণু ), দিলীপ কুমাৰ কলিতা ( পিঃ দণ্ডিৰাম দাস ), ব্ৰজেন্দ্ৰ চন্দ্ৰ মহন্ত ( পিঃ হৰিদেৱ ), নিৰ্মালী মালাকাৰ ( পিঃ মহেশ ), সৰলা দাস ( অভিভাৱক বাপুৰাম ), ৰিপুণ্য মালাকাৰ ( পিঃ প্ৰসন্ন ), সাবিত্ৰী মালাকাৰ ( ঐ )।

অৱশ্যে কিছু বছৰৰপৰা স্কুলখনৰ মানদণ্ড কিছু হ্ৰাস পাইছে। আজি-কালি বৃত্তি লাভ কৰা ছাত্ৰ-ছাত্ৰী নাই।

আৰম্ভণিৰেপৰা এই স্কুলৰ শিক্ষক-শিক্ষয়ত্ৰীসকল হৈছে— নিধিৰাম দাস (নিংনা, প্ৰতিস্থাপক অবৈতনিক শিক্ষক) বিষ্ণুৰাম মালাকাৰ (প্ৰঃ অঃ শিঃ)। প্ৰাণচন্দ্ৰ মহন্ত (প্ৰথম প্ৰঃ শিক্ষক), দৈৱকী মহন্ত (পিঃ মহৎ চন্দ্ৰ মহন্ত), মহেন্দ্ৰ চন্দ্ৰ মালাকাৰ (প্ৰঃ শিক্ষক), কমলপ্ৰভা মালাকাৰ, পুনৰ নিধিৰাম দাস (নিংনা) প্ৰঃ শিক্ষক, বিমলা মহন্ত, কালিকান্ত শৰ্মা (প্ৰধান শিক্ষক), ৰত্নেশ্বৰ দাস, কৈলাশপতি মালাকাৰ, জ্যোতিষ ডেকা, ৰমেশ চন্দ্ৰ শৰ্মা (প্ৰঃ শিক্ষক), ঘনশ্যাম ডেকা (প্ৰঃ শিক্ষক), মনমোহন মালাকাৰ, স্থৰেণ শীল (প্ৰঃ শিক্ষক), যোগেন দাস, অঞ্জলী দাস, ধৰণীধৰ মহন্ত (প্ৰঃ শিক্ষক), থানেশ্বৰ দাস, মনোমতী মালাকাৰ, মোহন দাস আদি।

উল্লেখ্য যে, মহেন্দ্ৰ চন্দ্ৰ মালাকাৰ আৰু কমলপ্ৰভা মালাকাৰে কেইবাবাৰো এই স্কুলত কাম কৰিছে।

## পৰিচালনা কমিটীৰ বিষয়-ববীয়াসকল

**সভাপতিসকল:** মহৎ চন্দ্ৰ মহন্ত, মহেন্দ্ৰ চন্দ্ৰ মালাকাৰ, লক্ষীৰাম মালাকাৰ, প্ৰাণচন্দ্ৰ মহন্ত, প্ৰসন্ন কুমাৰ মালাকাৰ, চিত্ৰ মহন্ত, ভূপেন্দ্ৰ চন্দ্ৰ মহন্ত, দণ্ডিৰাম দাস আৰু পৰেশ মালাকাৰ।

**সম্পাদকসকল:** প্ৰাণচন্দ্ৰ মহন্ত, সুশীল মহন্ত, দণ্ডিৰাম দাস, সুৰেন শীল (স্কুলৰ প্ৰধান শিক্ষক), ধৰণীধৰ মহন্ত (স্কুলৰ প্ৰঃ শিক্ষক)।

১৯৫৭ চনৰেপৰা স্কুলখনৰ দখলত প্ৰায় তিনি বিঘামান জমী আছে। জমীৰ দাতাসকল হৈছে — জয়ৰাম কলিতা, ৰমেশ কলিতা (উভয়ৰে পিতা গোন্ধৰাম কলিতা), যাত্ৰাবালা কলিতা স্বাঃ শান্তিৰাম), শৰৎ কলিতা (কৰকটু) আৰু কালিৰাম কলিতা (পিঃ দেবীৰাম)।

এই জমী তেওঁলোকে ১৯৬৩ চনতহে স্কুলৰ নামত ৰেজিষ্ট্ৰী কৰি দান দিয়ে। যাদৱ কলিতাহঁতৰ জমীখিনি ১৯৫৭ চনৰে পৰা স্কুলৰ দখলত আছে।

**বৰদধি বালোৱাদী কেন্দ্ৰ:** ১৯৬৪ চনত বৰদধি গাঁৱত এই কেন্দ্ৰটো স্থাপিত হয়। ইয়াত এজনী বাল-সেৱিকা আৰু এজনী সহায়িকাই কাম কৰে।

**বাল-সেবিকাসকল:** সৰ্বশ্ৰী— সত্যবালা দাস, বিমলা মহন্ত, মালতী চৌধুৰী, নিৰুপমা ভড়ালী, ৰেৱতী চৌধুৰী, প্ৰতিভা বৰা, অঞ্জলী মজুমদাৰ, লাৱণ্য দাস, হেমপ্ৰভা দাস আৰু পুনৰ নিৰুপমা ভড়ালী।

**সহায়িকাসকল:** জাগুবালা দাস আৰু পাৰ্বতী দাস (এওঁৰ ছুটী আদিত পুতুল দাসে সময়ে সময়ে কাম কৰি আছে)।

বালোৱাদী কেন্দ্ৰ পৰিচালনা কমিটীৰ বিষয়-ববীয়াসকল—

**সভাপতিসকল:** প্ৰাণচন্দ্ৰ মহন্ত, দণ্ডিৰাম দাস, কৰ্ণবালা মালাকাৰ আৰু পুনৰ দণ্ডিৰাম দাস।

**সম্পাদকসকল:** সৰ্বশ্ৰী — দণ্ডিৰাম দাস, শ্ৰীকান্ত ডেকা, পুনৰ দণ্ডিৰাম দাস, ধৰণীধৰ মহন্ত আৰু ফনীধৰ মালাকাৰ।

উল্লেখ্য যে, কেন্দ্ৰৰ বাল-সেৱিকাজনীয়ে যুটীয়া সম্পাদিকা হিচাপে কাম কৰি আছে।

**বৰদধি সনাতন যুৱক সঙ্ঘ :** ১৯৪৫ চনতে বৰদধি গাঁৱত "সেৱক সঙ্ঘ" নামৰ এক অনুষ্ঠানৰ জন্ম হৈছিল। এই সঙ্ঘৰ ডেকা-সকলেই গাঁওখনত পুথি-ভঁড়াল আৰু বালিকা প্ৰাথমিক বিদ্যালয়ৰ জন্ম দিয়ে। পৰৱৰ্ত্তী কালত এই ডেকাবোৰ গাঁৱৰ বাহিৰলৈ যোৱাৰ পিছত "সেৱক সঙ্ঘ" অৱলুপ্তি ঘটে। ইয়াৰ পৰিৱৰ্ত্তে নতুন নতুন ডেকাৰ উদ্যোগত ১৯৬৮ চনত "বৰদধি সনাতন যুৱক সঙ্ঘ" নামৰ অনুষ্ঠানটোৰ জন্ম হয়।

যুৱক সঙ্ঘটোৰ নিৰ্দিষ্ট কামবোৰ আছিল—(১) মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা আৰু বিভিন্ন বিষয়ত পাৰদৰ্শিতা দেখুওৱা লোকক উৎসৱৰ মুকলি সভাত বঁটা প্ৰদান কৰা, (২) গাঁৱত উদ্ভৱ হোৱা ফৌজদাৰীধৰণৰ গোচৰবোৰ তাৎক্ষণিক ভাৱে বিচাৰ কৰি সমাজ সংৰক্ষণ কৰা, (৩) বৰদধি গাঁৱৰ উন্নয়ণমূলক কামবোৰ কৰা, (৪) বৰদধি গাঁও উন্নয়ন কমিটীৰ সকলো কামতে সহায়-সহযোগ কৰা আদি।

১৯৬৮ চনৰ আগতেও বৰদধি গাঁৱত ৪/৫ বছৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উদযাপিত হৈছিল; কিন্তু ১৯৬৮ চনৰপৰা যুৱক সঙ্ঘই প্ৰতি বছৰে ইয়াক পালন কৰি আহিছে। ১৯৮৮ চনত সঙ্ঘই জন্মোৎসৱৰ ৰূপালী জয়ন্তী উৎসৱ বৰদধি গাঁৱত পালন কৰে।

১৯৬৮ চনৰপৰা কাৰ্য্য-নিৰ্বাহ কৰা বৰদধি সনাতন যুৱক সঙ্ঘৰ বিষয়-ববীয়াসকল হৈছে—

**সভাপতিসকল :** সৰ্বশ্ৰী দণ্ডিৰাম দাস, কৈলাসপতি মালাকাৰ, বিপিন দাস (মালাকাৰ), প্ৰফুল্ল কলিতা, ৰঞ্জিত মালাকাৰ, হৰিণ কলিতা, যোগেশ্বৰ পাঠক, লক্ষেশ্বৰ মহন্ত, হৰিদেৱ মহন্ত, যোগেশ্বৰ মালাকাৰ, সমীন দাস, পুনৰ দণ্ডিৰাম দাস, হৰেন কলিতা।

উল্লেখ্য যে ১৯৯২-৯৩ বছৰত কোনো লোক সভাপতি পদলৈ সন্মত নোহোৱাত এই লেখকে দ্বিতীয়বাৰ সভাপতি পদ লবলৈ বাধ্য হয়।

**সম্পাদকসকল ঃ** সৰ্বশ্ৰী— ললিত কোঁৱৰ, ধীলন মহন্ত, হৰিণ কলিতা, প্ৰফুল্ল কলিতা, যোগেশ্বৰ পাঠক, যোগেশ্বৰ কলিতা, গৌতম দাস, ৰঞ্জিত মালাকাৰ, শ্ৰীকান্ত কলিতা, ভাৰত চন্দ্ৰ কলিতা, ধৰ্মেশ্বৰ মালাকাৰ (পিঃ বিহু), সমীন দাস, নগেন মহন্ত, তিলক দাস, হৰমোহন মালাকাৰ, দ্বীজেন্দ্ৰ নাথ কলিতা, শৰৎ চন্দ্ৰ মালাকাৰ (M Ed), অমৃত কলিতা, পুনৰ ললিত কোঁৱৰ, অজিত মালাকাৰ, ~~দ্বীজেন্দ্ৰ~~ বাহেন্দ্ৰ মহন্ত (M. A)।

১৯৮৩ চনলৈকে বৰদধি সনাতন যুৱক সঙ্ঘৰ কোষাধ্যক্ষৰ পদো আছিল। ইয়াৰ পিছৰেপৰা সভাপতি আৰু সম্প্ৰাদকে বেঙ্কৰ জৰিয়তে লেন-দেন কৰিবলৈ লয়।

বৰদধি সনাতন যুৱক সঙ্ঘই নিৰ্দিষ্ট কাৰ্য্য-সূচীমতে কাম কৰি আছে, কিন্তু ১৯৭৩ চনৰেপৰা সঙ্ঘই ফৌজদাৰী গোচৰবোৰ কৰিবলৈ এৰি দিয়ে। ফলত বৰদধি গাঁও উন্নয়ণ কমিটীয়ে সকলোধৰণৰ বিচাৰবোৰ কৰে। বঁটা প্ৰদান কৰা আঁচনি মাজতে বন্ধ হৈছিল ; ই পুনৰ প্ৰৱৰ্ত্তন হৈছে।

**বৰদধি শংকৰদেৱ বালিকা বিদ্যাপীঠ ঃ** বৰদধি গাঁৱৰ যুৱক সমাজৰ অশেষ চেষ্টাৰ ফলত ১৯৮৪ চনত গাঁওখনত এই স্কুলখনৰ জন্ম হয়। এইখন এখন ছোৱালী এম. ই স্কুল। এই স্কুলৰ বাবে জমী দান দিয়া ব্যক্তিসকল হৈছে— সৰ্বশ্ৰী খগেন দাস, করুণা কুমাৰ মালাকাৰ, ৰমণী মালাকাৰ।

আৰম্ভণিৰে পৰা এই স্কুলত শিক্ষকতা কৰা শিক্ষক-শিক্ষয়িত্ৰীসকল হৈছে— বলেন কলিতা, অনিল মালাকাৰ, সুৰেণ কলিতা, সাৰদা ডেকা, ফনীধৰ মালাকাৰ, কবিন দাস, ৰীতা কলিতা অজিত মালাকাৰ, নিলীমা দাস।

শ্ৰীভূবন মালাকাৰে চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল হিচাপে কাম কৰি আছে।

এই স্কুলখন ১৯/১১/৯১ চনৰপৰা প্ৰাদেশীকৰণ হয়। এই সময়ৰ পৰা কাম কৰা শিক্ষক-শিক্ষয়িত্ৰীসকল হৈছে— সৰ্বশ্ৰী অনিল মালাকাৰ

(প্ৰধান শিক্ষক), ৰীতা কলিতা (হিন্দী শিক্ষয়িত্ৰী), অজিত মালাকাৰ (সহঃ শিক্ষক), সাৰদা ডেকা (সঃ শিক্ষক), হৰকান্ত দাস (বিজ্ঞান শিক্ষক), নিলীমা দাস (সঃ শিক্ষক)। ভূবন মালাকাৰ (৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী)।

## বিদ্যালয় পৰিচালনা কমিটীৰ বিষয়-ববীয়াসকল

**সভাপতিসকল ঃ** সৰ্বশ্ৰী— বিষ্ণুৰাম মালাকাৰ, দণ্ডিৰাম দাস, নৰেশ্বৰ পাটোৱাৰী।

**সম্পাদকসকল ঃ** সৰ্বশ্ৰী ৰশ্মিকান্ত মালাকাৰ, মনমোহন মালাকাৰ, খগেন মহন্ত (M A), অনিল মালাকাৰ ( প্ৰঃ শিক্ষক )।

উল্লেখযোগ্য যে, শ্ৰীবদন বৰুৱা বিধায়ক হৈ থাকোতে ১৯৯৫-৯৬ চনত স্কুলঘৰ নিৰ্মাণৰ বাবে ৬০ হাজাৰ টকাৰ এক অনুদান দিয়ে। এই টকাৰে ঘৰ সম্পূৰ্ণ নহ'ল। কিছু কাম আধৰুৱা হৈ আছে।

**শংকৰদেৱ প্ৰাথমিক বিদ্যালয় ( বৰদধি ) ঃ** বৰদধি গাঁৱৰ ভড়াটোল চুবুৰিত ১৯৭৮ চনত এই বিদ্যালয়খন স্থাপিত হয়। ১৯৮৩ চনত ই প্ৰাদেশীকৰণ হয়।

এই বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীসকল হৈছে ঃ সৰ্বশ্ৰী— অৰবিন্দ মালাকাৰ, ধৰ্মেশ্বৰ মালাকাৰ যুটিয়াভাবে প্ৰতিস্থাপক শিক্ষক, মনমোহন মালাকাৰ (প্ৰঃ শিক্ষক), সত্যব্ৰতী দাস (সঃ শিক্ষয়িত্ৰী), ইলা মহন্ত ( সঃ শিঃ ), নিৰঞ্জন কলিতা (সঃ শিক্ষক), ললিত চন্দ্ৰ কলিতা (সঃ শিঃ)।

বৰ্তমান এই বিদ্যালয়ত চাৰিজন শিক্ষক-শিক্ষয়িত্ৰীয়ে কাম কৰি আছে। তেওঁলোক হৈছে ঃ সৰ্বশ্ৰী— মনমোহন, সত্যৱতী, ইলা আৰু ললিত। এই বিদ্যালয়ত কুলহাটী গাঁৱৰ কিছু ল'ৰা-ছোৱালীয়েও পঢ়ে। ১৯৮৯ চনত বিদ্যালয় গৃহ-নিৰ্মাণৰ বাবে চৰকাৰে ৯৫ হাজাৰ টকাৰ অনুদান মঞ্জুৰ কৰে। ঘৰটো নিৰ্মিত হৈ উঠিছে।

বিদ্যালয় পৰিচালনা কমিটীৰ বিষয়-ববীয়াসকল হৈছে—

**সভাপতিসকল ঃ** দণ্ডিৰাম দাস, পৱিত্ৰ মালাকাৰ, ধীলন মহন্ত, কালিৰাম কলিতা, দণ্ডিৰাম দাস।

**সম্পাদকসকল ঃ** শ্ৰীধৰণীধৰ মহন্ত, শ্ৰীমনমোহন মালাকাৰ (প্ৰঃ শিক্ষক)।

ছাত্ৰ-ছাত্ৰী বৃদ্ধি হৈ থকাত ৰাইজে অতিৰিক্তকৈ আৰু এটা সৰু ঘৰ সাজি দিছে।

**বৰদধি শংকৰদেৱ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় ঃ**

১৯৮৮ চনত বৰদধি গাঁৱত এই বিদ্যালয়খন স্থাপিত হয়। গাঁৱৰে শ্ৰীনৰেশ্বৰ পাটোৱাৰীয়ে চাৰি বিঘা মাটি দি বিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত সহায় কৰে।

বিদ্যালয়খনে এতিয়ালৈ চৰকাৰী মৰ্য্যদা পোৱা নাই। কিন্তু ইয়াৰ ছাত্ৰীয়ে ১৯৯১ চনৰপৰা মেট্ৰিক পৰীক্ষা দি আছে। পৰীক্ষাৰ ফলাফল এনেধৰণৰ—

| চন | উত্তীৰ্ণ | চন | উত্তীৰ্ণ |
|---|---|---|---|
| ১৯৯১ | নাই | ১৯৯৫ | ১ জনী |
| ১৯৯২ | ৪ জনী | ১৯৯৬ | ৭ ” |
| ১৯৯৩ | ৪ ” | ১৯৯৭ | ১ ” |
| ১৯৯৪ | ১৩ ” | ১৯৯৮ | নাই। |

আৰম্ভণিৰেপৰা এতিয়ালৈ কাম কৰা শিক্ষক-শিক্ষয়িত্ৰীসকল হৈছেঃ সৰ্বশ্ৰী — বলেন কলিতা, অনিল মালাকাৰ, ধনীৰাম কলিতা, বলোৰাম মালাকাৰ, শশী দেৱী, মিনু দত্ত, মনোজ কুমাৰ শৰ্মা, বাবুল চন্দ্ৰ লহকৰ, দেবেন চন্দ্ৰ দাস, লক্ষী কলিতা, তিলক দাস, বিবেকানন্দ শৰ্মা, হৰেণ কোঁৱৰ, জিটুমণি মালাকাৰ, অজিত শৰ্মা, সোমনাথ বৈশ্য, সদানন্দ কলিতা, ৰমেন কলিতা।

বৰ্ত্তমান কাম কৰি থকা শিক্ষক-শিক্ষয়িত্ৰীসকল হৈছে ; সৰ্বশ্ৰী— বলোৰাম মালাকাৰ (প্ৰঃ শিক্ষক), শশী দেৱী (বুৰঞ্জী), লক্ষী কলিতা (বিজ্ঞান), দেবেন চন্দ্ৰ দাস (হিন্দী), হৰেণ কোঁৱৰ (কলা), জিটুমনি মালাকাৰ (কলা), সোণাৰাম বৈশ্য (বিজ্ঞান), অজিত শৰ্মা (কলা), ৰমেন কলিতা (সংস্কৃত) এওঁ Tutorial Class কৰি আছে।

**কাৰ্য্যালয় সহায়ক :** সৰ্বশ্ৰী হৰিণ কলিতা, অনুকুল মালাকাৰ, সুনন্দ কলিতাই ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে কাম কৰি আছে।

বিদ্যালয়ৰ পৰিচালনা কমিটীৰ বিষয়-ববীয়াসকল হৈছে—

**সভাপতি :** দণ্ডিৰাম দাস।

**সম্পাদকসকল :** সৰ্বশ্ৰী দীপক কলিতা, খগেন মহন্ত (M.A), শৰৎ চন্দ্ৰ মালাকাৰ (M. Ed). গজেন্দ্ৰ মহন্ত, ফণীধৰ মালাকাৰ আৰু ধনীৰাম কলিতা।

প্ৰধান শিক্ষক শ্ৰীবলোৰাম মালাকাৰে যুঃ সম্পাদক হিচাপে কাম কৰি আছে। বৰ্ত্তমান বিদ্যালয়খন প্ৰাদেশীকৰণ হোৱাৰ পথত আগবাঢ়ি আছে।

**পাঁচগাঁও হিন্দী বিদ্যালয় :** কিছু বছৰ আগতে পাঁচগাঁৱত এই বিদ্যালয়খন স্থাপিত হৈছিল। ১৯৮২ চনত ই বৰদধি শংকৰদেৱ বালিকা বিদ্যাপীঠলৈ স্থানান্তৰিত হয়। অভয়পুৰ গাঁৱৰ কবীন্দ্ৰ নাথ শৰ্মা ইয়াৰ উদ্যোক্তা আছিল। বৰ্ত্তমান বৰদধি গাঁৱৰ ফণীধৰ মালাকাৰে স্কুলখন চলাই আছে। বিদ্যালয় পৰিচালনা কমিটীৰ সভাপতি হৈছে— শ্ৰীদণ্ডিৰাম দাস।

**অসম শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ বৰদধি প্ৰাথমিক শাখা :** ১৯৮৭ চনত বৰদধি গাঁৱত এই শাখাটো গঠন হয়। এয়া এক সংস্কাৰধৰ্মী অনুষ্ঠান। সঙ্ঘৰ বিষয় ববীয়াসকল হৈছে : সভাপতি— পৰেশ চন্দ্ৰ মালাকাৰ, সম্পাদক— ৰামেশ্বৰ মালাকাৰ। এই সঙ্ঘ ১৯৭২ চনত স্থাপিত হৈছিল যদিও, ই নিষ্ক্ৰীয় হৈ আছিল।

**অসম সত্ৰ সংঘৰ বৰদধি শাখা :** ১৯৮৮ চনত বৰদধি গাঁৱত এই শাখাটো গঠন হয়। ৰক্ষণশীলতাই হৈছে— সত্ৰ-সংঘৰ মূল নীতি। এই শাখাৰ সভাপতি হৈছে— ধৰণীধৰ মহন্ত আৰু সম্পাদক হৈছে— ধৰ্মেশ্বৰ মহন্ত।

**জ্ঞানোদয় মহিলা সমিতি ( বৰদধি ) :** ১৯৮৮ চনত বৰদধি গাঁৱত এই অনুষ্ঠানৰ জন্ম হয়। এই সমিতিৰ সবিশেষ "মহিলা সমাজ" অধ্যায়তে উল্লেখ কৰা হৈছে।

**বৰদধি স্বাস্থ্য উপকেন্দ্ৰ :** চৰকাৰী উদ্যোগত ১৯৮৮ চনত বৰদধি গাঁৱত এই স্বাস্থ্য উপকেন্দ্ৰটো স্থাপিত হয়। ইয়াত এজনী ধাত্ৰী আৰু এজনী সহায়িকাই কাম কৰে। ডাক্তৰৰ ব্যৱস্থা নাই।

**বৰদধি অঙ্গনবাদী স্কুল :** চৰকাৰী উদ্যোগত ১৯৯১ চনত বৰদধি গাঁৱৰ ভড়াটোল চুবুৰিত এই স্কুলখন স্থাপিত হয়। তৰুলতা মালাকাৰে অঙ্গনবাদী শিক্ষয়িত্ৰী আৰু ফুলেশ্বৰী মহন্তই সহায়িকা হিচাপে কাম কৰি আছে। অৱশ্যে শিক্ষয়িত্ৰীগৰাকী বৰ্তমান ছুটীত আছে।

এই স্কুলৰ পৰিচালনা কমিটীৰ বিষয়-ববীয়াসকল হৈছে—

**সভাপতিসকল :** দণ্ডিৰাম দাস, শম্ভুৰাম দাস (এওঁ কুলহাটী পাঁচগাঁও গাঁও পঞ্চায়তৰ সভাপতি আছিল। ১৯৯৬ চনৰ পিছত গাঁও পঞ্চায়তবোৰ ভঙ্গ হৈ যোৱাত স্কুলখনৰ সভাপতি পদত কোনো নাই। অঙ্গনবাদী শিক্ষয়িত্ৰীজনীয়ে সকলো কাম চলাই আছে। অৰ্থাৎ ইয়াত ইয়াত এতিয়া কোনো পৰিচালনা কমিটী নাই।)

**ভাইটী ক্লাব :** ১৯৮২ চনত বৰদধি গাঁৱত এই ক্লাবৰ জন্ম হয়। গাঁৱৰ প্ৰায়বোৰ ডেকা ল'ৰাই ইয়াৰ সদস্য। এওঁলোকে প্ৰতি বছৰে চিনেমা প্ৰদৰ্শনৰ জৰিয়তে ক্লাবৰ আৰ্থিক দিশ কিছু টনকিয়াল কৰিছে। এওঁলোকে গাঁওখনৰ ডেকা-গাভৰুক সাংস্কৃতিক দিশটো কিছু উন্নত কৰিছে। বিহু-হুচৰি গোৱা দলৰ সৃষ্টি কৰি অঞ্চলটোৰ বিভিন্ন অনুষ্ঠানত বিহু-হুচৰি গাই পুৰস্কৃতও হৈ আছে। বৰদধি গাঁৱত "ভাইটী ক্লাব"টোৱে এক শক্তিশালী অনুষ্ঠান। অৰবিন্দ মালাকাৰে সভাপতি আৰু জিতুমনি মালাকাৰে সম্পাদক হিচাপে কাম কৰি আছে।

এইবোৰৰ উপৰিও গাঁওখনত থকা আন অনুষ্ঠানবোৰ হৈছে, বৰদধি বয়ন সমবায় সমিতি (লিঃ) (নিষ্ক্ৰীয়), জ্ঞানোদয় আলোচনা চক্ৰ (নিষ্ক্ৰীয়), শংকৰী কৃষ্টিবিকাশ সংঘ (নিষ্ক্ৰীয়), বৰদধি কৃষি উন্নয়ন কমিটী (নিষ্ক্ৰীয়), মুক্তিযুঁজাৰু নিধিৰাম দাস সোঁৱৰণী কমিটী— বৰ্তমান নিষ্ক্ৰীয় যদিও পুনৰ জাগৰণৰ সম্ভাৱনা আছে।

# বৰদধি গাঁৱৰ উৎসৱবোৰ

অতীজৰেপৰা বৰদধি গাঁৱত অসমীয়াৰ জাতীয় উৎসৱ ৰঙালী বিহুৰ বাহিৰে অন্য উৎসৱ পালন কৰাৰ কথা জনা নাযায়। ১৬৭৫ চনৰ পৰাহে গাঁওখনত নানা উৎসৱৰ আৱিৰ্ভাৱ হয়। এই উৎসৱবোৰ হৈছে— (১) প্ৰতি বছৰে ভাদ মাহৰ শুক্লা দ্বিতীয়া তিথিত মহাপুৰুষ শংকৰদেৱৰ তিৰোভাব তিথি, (২) প্ৰতি বছৰে ভাদ মাহৰ কৃষ্ণা পঞ্চমী তিথিত মহাপুৰুষ মাধৱদেৱৰ তিৰোভাৱ তিথি, (৩) প্ৰতি বছৰ আহিন মাহৰ কৃষ্ণা চতুৰ্থী তিথিত মথুৰাদাস বুঢ়া আতাৰ তিথি, (৪) প্ৰতি বছৰে আহাৰ মাহৰ অম্বুবাচীৰ দিনা ভাটৌকুছীয়া কেশৱচৰণ আতৈৰ তিথি, (৫) প্ৰতি বছৰে ফাগুন মাহৰ শুক্লা দ্বিতীয়া তিথিত বৰবিষ্ণু আতাৰ তিথি, (৬) প্ৰতি বছৰে ভাদ মাহৰ শুক্লা একাদশি তিথিত বহুলা আতাৰ তিথি, (৭) প্ৰতি বছৰে ভাদমাহৰ কৃষ্ণা একাদশী তিথিত শ্ৰীলক্ষ্মীকান্ত আতৈৰ তিথি, (৮) প্ৰতি বছৰে পুহ মাহৰ কৃষ্ণা পঞ্চমী তিথিত নাৰায়ণ দাস ঠাকুৰ আতাৰ তিথি আৰু (৯) প্ৰতি বছৰে ভাদ মাহৰ কৃষ্ণা অষ্টমী তিথিত শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰে।

এইবোৰৰ বাহিৰেও বৰদধি গাঁৱত উদ্‌যাপন কৰা আন আন উৎসৱ-বোৰ হৈছে—

**শ্ৰীলক্ষ্মীকান্ত আতৈৰ ছয়মাহিলি তিথি বনাম মাঘৰ সভাঃ** ১৬৮৫ চনৰে পৰা এই সভাখন বৰদধি গাঁৱত উদ্‌যাপিত হৈ আহিছে। এই সভা দুদিন ধৰি উদ্‌যাপিত হয়। প্ৰথম নিশা "গোন্ধ" হয়। এই নিশাত ঢুলীয়া-বাদনৰ অনুষ্ঠান হয়। দ্বিতীয় নিশাত হয় যাত্ৰা-ভাওনাৰ প্ৰদৰ্শন।

গোন্ধৰ গধূলি গুৰু আসনত ভাগৱত শাস্ত্ৰ লৈ আৰু ঢোল-খোল, ভোৰতাল আৰু আন আন বাদ্য-যন্ত্ৰ বজাই নগৰ-কীৰ্ত্তন কৰা হয়। সভাৰ মণ্ডপত ভাগৱত স্থাপন হোৱাৰ পিছৰপৰা ঢুলীয়া-বাদন; অৱশ্যে আজি-কালি ঢুলীয়াৰ প্ৰদৰ্শন নহয়। যাত্ৰা-গানৰ প্ৰদৰ্শনহে হয়।

দ্বিতীয় দিনা অৰ্থাৎ মূল তিথিৰ দিনাখন ৰাতিপুৱা উষা-কীৰ্ত্তন, ৯ বজামানত সভাস্থলীত আইসকলৰ নাম-প্ৰসঙ্গ, ১১ মান বজাত বাপুসকলৰ নাম-প্ৰসঙ্গ, ভাগৱত পাঠ, চৰিত পাঠ আৰু সেৱাৰ গীতৰ অনুষ্ঠান হয়। গধূলি ওজাপালি আৰু নিশা যাত্ৰা-গানৰ অভিনয় হয়। এইদৰে সভাৰ সামৰণি পৰাত তৃতীয় দিনা ৰাতিপুৱা উষা-কীৰ্ত্তন কৰি ভাগৱতসহ গুৰু আসনখন পূৰ্বৰ স্থানত ৰখা হয়।

এই সভাৰ এক বৈশিষ্ট্য এই যে, সভালৈ কোনো লোককে নিমন্ত্ৰণ কৰাৰ নীতি নাই। ই স্বতঃস্ফূৰ্ত। এই সভালৈ অহা যাত্ৰীসকলক সিধা দিয়াৰ পৰম্পৰা আছে। সিধাৰ সামগ্ৰীবোৰ হৈছে— চাউল, দাইল, মিঃ তেল, নিমখ, খৰী, মাটিৰ চৰু আদি। অৱশ্যে আজি-কালি আগৰ দৰে যাত্ৰীৰ ভিৰ নাই ; কিন্তু সিধা দিয়াৰ পদ্ধতিটো চলি আছে।

বৰদধি গাঁৱত মাজে সময়ে দলাদলি হৈছে যদিও ১৯৩০ চনৰেপৰা আজিলৈ সভাখন এখনকৈয়ে হৈ আছে। মাঘৰ সভাখনেই বৰদধি গাঁৱৰ ঐক্য আৰু সংহতিৰ প্ৰতীক। ই অমৰ।

বৰদধি গাঁৱ উন্নয়ন কমিটীৰ উদ্যোগত এই সভাখন হৈ আছে।

**শ্ৰীকৃষ্ণৰ দোল-যাত্ৰা :** বৰদধি গাঁৱৰ দোল-যাত্ৰা উৎসৱ অতি পুৰণি। অৱশ্যে বিভিন্ন কাৰণত ১৯১৫ চনৰপৰা এই উৎসৱ পালন কৰা বন্ধ হৈছে। গাঁওখনৰ উত্তৰত থকা দলৰ পথাৰত দোল-যাত্ৰা পালনৰ স্মৃতি-চিহ্ন হিচাপে এতিয়াও তাত এটা 'টীপ' আছে। আজিলৈ কোনেও ইয়াক নিঃচিহ্ন কৰিবলৈ সাহস কৰা নাই।

**শ্ৰীকৃষ্ণৰ ৰাস-যাত্ৰা :** বৰদধি গাঁৱৰ কিছু উৎসাহী ডেকাই ১৯৪২ চনৰপৰা ১৯৪৪ চনলৈ গাঁওখনত এই উৎসৱ পালন কৰিছিল। ১৯৪৫ চনত এঘাৰ দিনীয়া অশৌচ পালনৰ সন্দৰ্ভত গাঁৱত খেলি-মেলিৰ উদ্ভৱ হয় আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত শ্ৰীকৃষ্ণৰ ৰাস-যাত্ৰা পালন কৰা উৎসৱ বন্ধ হয়।

**ৰঙালী বিহু উৎসৱ :** বৰদধি গাঁৱত এই উৎসৱ প্ৰাচীন কালৰে পৰা আছে যদিও ১৯৪৬ চনৰপৰা ইয়াৰ ধাৰাবাহিকতা বিদ্যমান। বৰদধি

শ্ৰীশ্ৰীশংকৰদেৱ পুথি-ভঁড়ালৰ উদ্যোগত আৰু গাঁওবাসীৰ সহযোগত এই উৎসৱ অতি জাক-জমকতাৰে পালিত হৈ আহিছে। ইয়াত বিশেষকৈ খেল-ধেমালি আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন হয়। ১৯৭২ চনৰ পৰাহে নিত্য উৎসৱে মঞ্চত প্ৰৱেশ কৰে। মুকলি সভাৰ আয়োজন কৰি প্ৰতিযোগীসকলৰ মাজত বঁটা বিতৰণো কৰে।

**জেঠুৱা নাম:** জেঠুৱা নামো গাঁওখনৰ এক পুৰণি উৎসৱ। গাঁও-খনৰ চুবুৰিবিলাকে ইয়াক পৃথকে পালন কৰে। এই উৎসৱ ৰাতি পালন হয়। ইয়াত নাম-প্ৰসঙ্গ, ভাগৱত পাঠ আৰু নাগাৰা নামৰ আয়োজন হয়। জেঠুৱা নামক "গৰখীয়া নাম" বা "গুৰ্থা নাম" হিচাপেও জনা যায়।

**১লা বহাগ বনাম পালনাম:** ১৯৬৫ চনত পানীখাইটি বিলত মাছ ধৰা সংক্ৰান্তত কেইবাটাও ফৌজদাৰী মোকৰ্দ্দমা হয়। এই মোকৰ্দ্দমাত বৰদধি গাঁৱৰ ২৩ জন লোক আচামী হিচাপে অভিযুক্ত হয়। এই বিপদৰ পৰা মুক্তি পাবলৈ বৰদধিৰ ৰাইজে বৰদধি সনাতন বুঢ়া কীৰ্ত্তন-ঘৰত সেৱা জনাই প্ৰাৰ্থনা কৰিলে যে ভগৱানে আচামীসকলক মুক্তি দিলে ৰাইজে প্ৰতি বছৰে ১লা বহাগত ইয়াতে পালনামৰ আয়োজন কৰিব। মোকৰ্দ্দ-মাৰ হুকুমবোৰ ১৯৬৮-৬৯ চনত ওলায়। প্ৰায়বোৰ আচামীয়ে দোষমুক্ত বুলি খালাছ পায়। ইয়াৰ পৰিপ্ৰেক্ষিতত ১৯৭০ চনৰপৰা বৰদধি সনাতন বুঢ়া কীৰ্ত্তনঘৰ সত্ৰত ১লা বহাগত এই পালনাম অনুষ্ঠিত হৈ আহিছে। ই এক ধৰ্মীয় অনুষ্ঠান আৰু ভগৱানৰ ওপৰত বিশ্বাস ৰখাৰ প্ৰতিভূ।

**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ:** বৰদধি সনাতন যুৱক সঙ্ঘৰ উদ্যোগত ১৯৬৮ চনৰপৰা গাঁওখনত এই জন্মোৎসৱ উদ্-যাপিত হৈ আহিছে। ইয়াৰ আগতেও কিছু ডেকাই ৪/৫ বাৰ মান এই জন্মোৎসৱ গাঁওখনত পালন কৰিছিল। এই সকলোবোৰ হিচাপ কৰিয়েই ১৯৮৮ চনত সনাতন যুৱক সঙ্ঘই ইয়াৰ ৰূপালী জয়ন্তী উৎসৱ পালন কৰে।

এই উৎসৱ প্ৰায়েই তিনিদিনীয়াকৈ পালিত হৈ আহিছে। ইয়াৰ বৈশিষ্টবোৰ হৈছে — (১) ভাগৱত শাস্ত্ৰ লৈ নগৰ-কীৰ্ত্তন কৰা, (২) নাম-

প্ৰসঙ্গ, ভাগৱত পাঠ, চৰিত্ৰ পাঠ, সেৱাৰ গীত গোৱা আদি, (৩) যাত্ৰা· ভাওনা, (৪) সাংস্কৃতিক অনুষ্ঠান, (৫) মুকলি সভাৰ আয়োজন।

বৰদধি গাঁওখন একশৰণ বৈষ্ণৱ ধৰ্মৰ এখন পৱিত্ৰ ভূমি। অসমৰ বিভিন্ন প্ৰান্তৰপৰা ধৰ্মীয় গুৰু-গোসাঁই, সন্ত-মহন্ত পুৰুষ, কবি, সাহিত্যিক, শিল্পী, শিক্ষাবিদ, গৱেষক, গীতিকাৰ, ভাষাবিদ, ৰাজনৈতিক নেতা, সমাজ-তাত্ত্বিক পুৰুষ, বুদ্ধিজীৱি, নাট্য-বিশাৰদ, সাংবাদিক, প্ৰশাসক, ছাত্ৰনেতা আদি বিভিন্ন উপলক্ষে (বিশেষকৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱত) বৰদধি গাঁৱত পদাৰ্পন কৰিছে। এইসকল পুৰুষ আৰু ব্যক্তিৰ পৰিচয় এনেধৰণৰ— জগৎ গুৰু সিদ্ধান্ত বাগীছদেৱ (কোচ ৰজাৰ ৰাজসভাৰ পণ্ডিত), শ্ৰীলক্ষীকান্ত আতৈ (হাজো গোপৰগুৰি সত্ৰৰ ধৰ্মাচাৰ্য্য), কেশৱচৰণ আতৈ (সন্ত-মহন্ত পুৰুষ), বড়ুলা আতৈ (সঃ মঃ পুৰুষ), জগন্নাথচৰণ আতৈ (সঃ মঃ পুৰুষ), হৃৰি আতৈ (সঃ মঃ পুৰুষ), দামোদৰ আতৈ (সঃ মঃ পুৰুষ), কৃষ্ণানন্দ ব্ৰহ্মচাৰী (সঃ মঃ পুৰুষ), গোপীনাথ বৰদলৈ (কংগ্ৰেছী নেতা), তৰুণৰাম ফুকন (কংগ্ৰেছী নেতা), দীননাথ মেধি (কংগ্ৰেছী নেতা), বিষ্ণুৰাম মেধি (কংগ্ৰেছী নেতা), বিষ্ণু প্ৰসাদ ৰাভা (বিপ্লৱী নেতা), ড° ভূপেন হাজৰিকা (বিশিষ্ট কণ্ঠ-শিল্পী), বিহগী কবি ৰঘুনাথ চৌধাৰী, গঙ্গাৰাম চৌধুৰী বি-এ, বি-এল (এড্‌-ভোকেট), বিপিনপাল দাস (সমাজবাদী নেতা), মহিমচন্দ্ৰ দাস (বৰপেটা সত্ৰৰ বুঢ়াভকত), সিদ্ধিনাথ শৰ্মা (ৰাজহ মন্ত্ৰী), ৰেণুকা দেৱী বৰকটকী (এম. এল. এ হাজো সমষ্টি), ফটিক চন্দ্ৰ অধিকাৰী (মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰ), উষা দাস (কংগ্ৰেছী নেতৃ), গিৰিন্দ্ৰনাথ চৌধুৰী (মন্ত্ৰী), লক্ষ্যধৰ চৌধুৰী (প্ৰাঃ সভাপতি, অঃ সাঃ সভা), মহেন্দ্ৰমোহন চৌধুৰী (প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ৰাজ্যপাল), হেম বৰুৱা (অধ্যক্ষ), গোলোক কাকতি (অসম শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘ), নৱদ্বীপৰঞ্জন পাটগিৰি (কাৰ্য্যকৰী সভাপতি, অসম ৰাঃ মুঃ সন্থা), ভৱপ্ৰসাদ চলিহা (অধ্যাপক), প্ৰেমকান্ত মহন্ত (চেয়াৰমেন, অসম মাঃ দ্ৰঃ নিঃ সমিতি), বঙ্কিম চন্দ্ৰ শৰ্মা বি-এ, বি-টি, কনক চন্দ্ৰ ডেকা (অধ্যাপক), মধু বড়ো (অধ্যাপক গুৱাহাটী বিশ্ববিদ্যালয়),

পদ্মশ্ৰী অতুলচন্দ্ৰ হাজৰিকা ( অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ), বিনন্দ বৰ্মন, এম-এ ( প্ৰাক্তন অধ্যাপক ), গগন চন্দ্ৰ অধিকাৰী এম-এ, ড° প্ৰিয়াংশু প্ৰৱল উপাধ্যায় (অধ্যাপক), নীলকান্ত মহন্ত (সহঃ অধ্যক্ষ), গোবিন্দৰাম কলিতা (অধিবক্তা), ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য এম-এ. পি-এইচ ডি (অধ্যক্ষ), প্ৰিয়দেৱ গোস্বামী ( Addl. S. P ), জীতেন্দ্ৰনাথ গোস্বামী (S D.C), হৰেণ ডেকা (গুৱাহাটী বিশ্ববিদ্যালয়), শৈলেন মেধি (এড্‌ভোকেট), অচ্যুত ঠাকুৰীয়া ( এড্‌ভোকেট ), মধুসূদন ওজা (এম-এচ চি), সুৰেণ মালাকাৰ (শিক্ষক), শ্ৰীমান চক্ৰৱৰ্ত্তী, এম.এ (অধ্যাপক) ভবানন্দ ডেকা, এম-এ ( অধ্যাপক ), দেৱচন্দ্ৰ তালুকদাৰ ( সাহিত্যিক ), নিত্য দত্ত (S.P), ৰাজেন মহন্ত (অধ্যাপক), ভৃগুগিৰি ৰায়চৌধুৰী (অধ্যাঃ), দেৱীচৰণ মহন্ত (A.D.P.I), উপেন দাস (মন্ত্ৰী), শুচীব্ৰতা ৰায়চৌধুৰী, ড° কিৰণ শৰ্মা, এম-এ. পি. এইচ.ডি (অধ্যাপক), ড° নবীন শৰ্মা এম-এ, পি. এইচ. ডি (অধ্যাপক), ধনেশ্বৰ বৰ্মণ (এম-এ. বি-টি), হিতেশ ডেকা অসম সাঃ সঃ প্ৰাঃ সভাপতি), ৰাধিকা মোহন ভাগৱতী ( সম্পাদক নতুন অসমীয়া ), চন্দ্ৰ দাস (নলবাৰী), পবীন্দ্ৰ ডেকা ( P.L.P ), মানবেন্দ্ৰ ডেকা (মৈহাটী), আনন্দমোহন ভাগৱতী (উপ-সঞ্চালক, সাংস্কৃতিক বিঃ), পদ্ম শালৈ (অধ্যক্ষ), গৰ্গৰাম কলিতা ( মৈহাটী ), বিপুল দেউৰী (উপ-সচীব, গৃহ বিভাগ), নগেন শৰ্মা (বৰ্ত্তমান মন্ত্ৰী), ড° প্ৰবীন দাস (অধ্যাঃ গুৱাহাটী বিশ্ববিদ্যালয়), উমেশ ডেকা (অধ্যাপক), ৰেখাৰাণী দাস বড়ো (বৰ্ত্তমান মন্ত্ৰী), নৃপেন ৰয় (ছাত্ৰ সন্থা), অচ্যুতকৃষ্ণ দেৱমিশ্ৰ (শংকৰদেৱ সঙ্ঘৰ ধৰ্মাধিকাৰী), কীৰ্ত্তিনাথ হাজৰিকা ( অসম সাঃ সভাৰ সভাপতি), নৰেন্দ্ৰ নাথ শৰ্মা (প্ৰৱক্তা), দীনেশ চন্দ্ৰ দাস (শিক্ষক), উমেশ চন্দ্ৰ কলিতা (বৈষ্ণৱ), কৰেন্দ্ৰ চন্দ্ৰ তালুকদাৰ (অধ্যক্ষ), শংকৰ শইকীয়া (কবি-সাহিঃ) প্ৰসন্ন চহৰীয়া (অধ্যাপক), ইচ্‌মাইল হুচেইন (সাহিত্যিক), ধৰ্মেশ্বৰ শৰ্মা (S.D.C), অভয়চৰণ বৰকটকী ( সঞ্চালক, পুথিভৰাল ), শৈলেন মেধি (এড্‌ভোকেট), মাধৱ চন্দ্ৰ ভড়ালী (ভাগৱতী), বদন চন্দ্ৰ বৰুৱা ( এম. এচ-চি, এল-এল-বি ), কামাখ্যাচৰণ চৌধুৰী ( ৰাজ্যিক মন্ত্ৰী ), গিৰিশ

দেউৰী (উকীল), বংশীৰাম বড়ো (শংকৰদেৱ সঙ্ঘৰ নেতা), ড° পৰমানন্দ ৰাজবংশী (প্ৰবক্তা), ড° যোগেন বায়ন (প্ৰাঃ সভাপতি, অসম নাট্য সন্মিঃ), ড° লক্ষ্যহীৰা দাস (প্ৰাঃ অধ্যাপিকা), নুকল হুছেইন (মন্ত্ৰী), ড° প্ৰবীণ শৰ্মা (সাংসদ), প্ৰসন্ন কুমাৰ দাস (অধ্যক্ষ), হৰিশচন্দ্ৰ ডেকা (শিক্ষক), ৰজনীপ্ৰসাদ মালাকাৰ (এম, এ), ৰাধিকাৰাম দাস (প্ৰবক্তা), হৰেন্দ্ৰ চন্দ্ৰ কলিতা (এম, এ)।

এই বিশিষ্ট লোকসকলৰ পদাৰ্পণত বৰদধি গাঁওখন অতি গৌৰৱান্বিত হৈছে আৰু একশৰণ বৈষ্ণৱ ধৰ্মত প্ৰৱেশ কৰা নানা কু-সংস্কাৰ আঁতৰি যাবলৈ বাধ্য হৈছে। তেওঁলোকৰ আশীৰ্বাদত গাঁওখনৰ উন্নতি হওক— তাকেই আশা কৰিছোঁ।

**সাংবিধানিক দিৱস ঃ** ১৯৩০ চনতে বৰদধি গাঁও উন্নয়ন কমিটী গঠিত হৈছিল যদিও ইয়াৰ কোনো লিখিত সংবিধান নাছিল। উন্নয়ন কমিটীয়ে সিদ্ধান্ত ল'লে যে সমাজখন শৃঙ্খলাবদ্ধ হৈ চলিবলৈ হ'লে ইয়াৰ এখন সংবিধান থাকিব লাগে। ইয়াৰ ভিত্তিতে এখন লিখিত সংবিধান ১৯৬৯ চনৰ অক্টোবৰ মাহৰ ১৭ তাৰিখৰপৰা সমাজত চালু হয়। সেই-গুণে তেতিয়াৰে পৰা অক্টোবৰ মাহৰ ১৭ তাৰিখ অথবা আহিন আৰু কাতি মাহৰ বিহুৰ দিনটো সাংবিধানিক দিৱস হিচাপে ৰাইজে প্ৰতি বছৰে পালন কৰি আছে।

এই দিনটোত নাম-কীৰ্ত্তন হয়, কমিটী ভঙা-পতা হয় আৰু প্ৰয়োজনবোধে সংবিধানৰ দফাৰ সংশোধন হয়। ১৯৯৮ চনৰ সাংবিধানিক দিৱস ১৮/১০/৯৮ তাৰিখে অনুষ্ঠিত হয়। কাৰণ এই দিনটোৱে আছিল, আহিন-কাতি মাহৰ বিহু। এই বছৰৰপৰা বৰদধি গাঁও উন্নয়ন কমিটীৰ কাৰ্য্যকাল দুবছৰীয়া হয়। কিন্তু সাংবিধানিক দিৱস আগৰ দৰে উদ্‌যাপিত হৈ থাকিব। যুগৰ পৰিবৰ্ত্তনৰ লগত সঙ্গতি ৰাখি এই সংবিধানখন সংশোধিত হৈ আছে। এই সংবিধানে সমাজৰ কাৰ্য্য পৰিচালনাত যথেষ্ট সুবিধা দান কৰিছে।

প্ৰয়াত মহেন্দ্ৰমোহন চৌধুৰীদেৱৰ মৃত্যু তিথি : ২৬/১২/৮২ তাৰিখে চৌধুৰীদেৱৰ মৃত্যু হয়। জীৱিত কালত তেওঁ দেখুওৱা ধৰ্মীয় বদান্যতাৰ বাবে বৰদধিৰ ৰাইজে তেওঁৰ মৃত্যু তিথিটো ১৯৮৩ চনৰেপৰা নাম-প্ৰসঙ্গ, ভাগৱত পাঠ আদিৰে পালন কৰি আহিছে। তেওঁৰ মৃত্যু তিথিটো হৈছে, পুহ মাহৰ শুক্লা দ্বাদশী।

ইয়াৰ উপৰিও গাঁওখনৰ প্ৰায় লোকেই তেওঁলোকৰ পিতৃ-মাতৃ, গুৰুজনৰ মৃত্যু তিথিবোৰ নাম-কীৰ্ত্তন কৰি পালন কৰি আছে।

প্ৰকৃতাৰ্থত বৰদধি এখন উৎসৱৰে ভৰপূৰ গাঁও। আৰ্থিক অনাটনৰ মাজতো ৰাইজ তথা ব্যক্তিয়ে এই উৎসৱবোৰ পালন কৰি ঈশ্বৰ ভক্তি আৰু প্ৰেমৰ আদৰ্শ দেখুৱাই আছে। লগতে এই উৎসৱবোৰে গাঁওখনৰ সংহতি ৰক্ষা আৰু আনন্দ উপভোগ কৰাত যথেষ্ট সহায়কো হৈছে। ইংৰাজীত এষাৰ কথা আছে— "What is life if full of care, there is no time for rest and pleasure."

এনে অৰ্থত উৎসৱৰ প্ৰয়োজনীয়তা আছে।

□ ❀ □

## উচ্চ স্তৰত স্বতন্ত্ৰীয়, চৰকাৰী অৰ্দ্ধ-চৰকাৰী আৰু বে-চৰকাৰী বিভাগত চাকৰি কৰা বৰদধি গাঁৱৰ ব্যক্তিসকলৰ পৰিচয়

দেশৰ স্বাধীনতাৰ আগলৈকে উচ্চ স্তৰত চাকৰি কৰা বৰদধি গাঁৱত কোনো লোক নাছিল। সেই কালত মাত্ৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক, মণ্ডল, পিয়ন্দা, মহৰী, পিয়ন, পুলিচ, জেইলৰ, ওৱাৰ্দাৰ, চকিদাৰ, গাঁওবুঢ়া আৰু ২/৪ জন কেৰাণীৰ চাকৰি কৰা লোক আছিল।

বৰ্ত্তমান বৰদনিগাঁৱত উচ্চ-স্তৰৰ চাকৰি কৰা কিছু লোক ওলাইছে। সেইসকলৰ পৰিচয় এনেধৰণৰ—

**ওকালতি কৰা লোক :** সৰ্বশ্ৰী ৰবীন্দ্ৰ নাথ মালাকাৰ, B. A, L.L B, ৰত্নকান্ত মালাকাৰ B.A, L.L.B, ৰমণী কুমাৰ দাস, B.A, L.L.B, ৰমেশ চন্দ্ৰ কলিতা B.A, Advocate।

**প্ৰশাসনীয় বিষয়া :** সৰ্বশ্ৰী— ৰমণী মালাকাৰ P.C.S (এওঁ দূৰদৰ্শনৰ বাতৰি সম্পাদক), বলোদেৱ মালাকাৰ A.C.S (এওঁ ADC হিচাপে কাম কৰি আছে), থানেশ্বৰ মালাকাৰ, A.C.S (এওঁ ADC হিচাপে কাম কৰি আছে), ৰমেন মালাকাৰ, A.C S (এওঁ SDC হিচাপে কাম কৰি আছে), অশ্রু মালাকাৰ A.C.S (এওঁ SDC হিচাপে কাম কৰি আছে), প্ৰমোদ চন্দ্ৰ কলিতা B.A (এওঁ Inspector of Food & Supply হিচাপে কাম কৰে), বিজয়লক্ষ্মী বৰুৱা (মালাকাৰ) B. A, L. L. B আৰু Journalist (এওঁ Judicial Magistrate হিচাপে কাম কৰে।

**স্বাস্থ্য বিভাগত :** সৰ্বশ্ৰী— অতুল কলিতা M.B.B.S (এওঁ মেডিকেল অফিচাৰ হিচাপে কাম কৰি আছে), মণিৰাম কলিতা B.A. M.S (এওঁ আয়ুৰ্বেদিক ডাক্তৰ হিচাপে কাম কৰে), জীতেন মালাকাৰ B.A.M.S (এওঁ আয়ুৰ্বেদিক ডাক্তৰ হিচাপে কাম কৰে), প্ৰভাত চন্দ্ৰ মহন্ত (এওঁ AEN হিচাপে কাম কৰি অৱসৰ গ্ৰহণ কৰিছে।

**শিক্ষা বিভাগত :** সৰ্বশ্ৰী নিৰ্মালী দাস, M.A (এওঁ অধ্যাপিকা হিচাপে কাম কৰি আছে), বিপুল মালাকাৰ, M A (এওঁ প্ৰবক্তা হিচাপে কাম কৰি আছে), খগেন মহন্ত M.A (এওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কাম কৰে), ৰীতা মহন্ত M.A (এওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কাম কৰে), ধীলন মহন্ত, B. A, B. T. (এওঁ M. E. স্কুলৰ প্ৰধান শিক্ষক), অনিল মালাকাৰ B. A. (এওঁ M.E স্কুলৰ প্ৰধান শিক্ষক)।

আৰক্ষী বিভাগত : সৰ্বশ্ৰী অৰবিন্দ কলিতা, A.P.S C (এওঁ SDPO হিচাপে কাম কৰে), প্ৰদীপ মহন্ত B.A ( এওঁ আৰক্ষী বিষয়া), যদুৰাম মালাকাৰ, B.A (এওঁ আৰক্ষী বিষয়া )।

কাৰাগাৰ বিভাগত : নৰেন্দ্ৰ নাথ দাস (এওঁ কাৰাগাৰ অধীক্ষক আছিল ), শ্ৰীগোবিন্দ মালাকাৰ, B. A. ( এওঁ কাৰাকাৰ সহঃ অধীক্ষক )।

বিভিন্ন ইঞ্জিনিয়াৰিং বিভাগত : সৰ্বশ্ৰী শ্যামচৰণ দাস, B. E Civil (এওঁ টেলিকম বিভাগত J.T.O হিচাপে কাম কৰে ), দেৱজিৎ দাস, B.E, Civil ( এওঁ গড়কাপ্টানি বিভাগত A.E.N হিচাপে কাম কৰে ), দিলীপ কুমাৰ কলিতা B. E, Electronic ( এওঁ টেলিকম বিভাগত J.T.O হিচাপে কাম কৰে ), তৰুণ মালাকাৰ (এওঁ বাননিয়ন্ত্ৰণ বিভাগত Junior Engireer হিচাপে কাম কৰে ), ভূপেন কলিতা (এওঁ গড়কাপ্টানি বিভাগত Junior Enginccr হিচাপে কাম কৰে )। ভাৰত চন্দ্ৰ দাস ( এওঁ জনস্বাস্থ্য কাৰীকৰি বিভাগত J. E. হিচাপে কাম কৰে )। জগদীশ চহন্ত (এওঁ গড়কাপ্টানি বিভাগত J E. হিচাপে কাম কৰে )। দেৱেশ্বৰ দাস (এওঁ জলসিঞ্চন বিভাগত J. E. হিচাপে কাম কৰে )। ধনীৰাম মালাকাৰ (এওঁ জলসিঞ্চন বিভাগত J.E হিচাপে কাম কৰে)। ঘনশ্যাম কলিতা (এওঁ জলসিঞ্চন বিভাগত J. E. হিচাপে কাম কৰে )। টঙ্কেশ্বৰ কলিতা ( এওঁ I.T.I.ৰ Instructor হিচাপে কাম কৰে )। যতীন পাটোৱাৰী ( এওঁ গড়কাপ্টানী বিভাগত J. E. হিচাপে কাম কৰে।

ৰেলৱে বিভাগত : সৰ্বশ্ৰী দণ্ডিৰাম দাস (এওঁ Section Officer (A Cs) হিচাপে কাম কৰি অৱসৰ পাইছে)। ৰতন দাস (এওঁ Senior Section Engineer হিচাপে কাম কৰে। বীৰেন কলিতা B. A. ( এওঁ Electric Apprentlce হিচাপে কাম কৰে )। অনন্ত কুমাৰ মহন্ত (এওঁ 'A Class' ড্ৰাইভাৰ)। লোহিত মহন্ত, (এওঁ 'A Class' ড্ৰাইভাৰ )।

**New India Assurence Company** ত কাম কৰা ঃ শ্ৰীশৰৎ চন্দ্ৰ মালাকাৰে ইয়াত Administrative Officer হিচাপে কাম কৰে।

**Oil India Ltd, Duliajan** ত কাম কৰা ঃ শ্ৰীজয়ন্ত মালাকাৰ B.E, Mech. (এওঁ Superintending Officer হিচাপে কাম কৰে), শ্ৰীইভা কলিতা (মালাকাৰ), B.E, Mech. (এওঁ Senior Engineer হিচাপে কাম কৰে)।

**Schalastic Pvt. Ltd., Delhi** ত কাম কৰা ঃ শ্ৰীপৰেশ চন্দ্ৰ মালাকাৰ, M.A ( এওঁ Senior Educational Consultant হিচাপে কাম কৰে )।

ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ কাৰ্য্যালয়ত কাম কৰা ঃ

শ্ৰীচিত্ৰ মহন্ত, M.A, Hindi ( এওঁ প্ৰধান সচিব হিচাপে কাম কৰি অৱসৰ পাইছে )।

**Local Account Office** ত কাম কৰা ঃ

শ্ৰীশ্ৰীদামচন্দ্ৰ মহন্ত, ( এওঁ Examiner of Accounts হিচাপে কাম কৰি অৱসৰ পাইছে )।

বেংকত চাকৰি কৰা ঃ

শ্ৰীৰশ্মি কান্ত মালাকাৰ, B. A. ( এওঁ Central Bank of India ত মেনেজাৰ হিচাবে চাকৰি কৰে )।

বিভিন্ন পদত কাম কৰা লোক ঃ সৰ্বশ্ৰী— খগেন মালাকাৰ, B. Com ( এওঁ গড়কাপ্তানি বিভাগত Divisional Accountant হিচাপে কাম কৰে ), দুৰ্গেশ্বৰ দাস, B. Sc (এওঁ গড়কাপ্তানি বিভাগত Divisional Accountant হিচাপে কাম কৰে), ডিম্বেশ্বৰ মালাকাৰ B.Com (এওঁ Local Accounts Officeত Accountant হিচাপে কাম কৰে), বাবুল মহন্ত, B.A ( Assam Electricity Board ত এওঁ Accounts Officer হিচাপে কাম কৰে )।

ইয়াতে উল্লেখ কৰিব পাৰি যে— বৰদনি গাঁৱৰ অনেক লোক গুৱাহাটী চহৰৰ বাসিন্দা হৈছে। এওঁলোকৰ বহুতৰে ল'ৰা-ছোৱালী বিভিন্ন উচ্চ পদত ( ডাক্তৰ, ইঞ্জিনিয়াৰ, ওকালতি, কলেজৰ অধ্যাপক, প্ৰশাসনীয় বিষয়া আদি ) চাকৰি কৰে। এই ল'ৰা-ছোৱালীসকলৰ পৰিচয় ইয়াত দিয়া হোৱা নাই।

ভৱিষ্যতে গাঁওখনত আৰু অধিক যোগ্য ব্যক্তিৰ জন্ম নওঁক— এই আশাৰে সামৰিছো, এফাঁকি মহাপুৰুষ মাধৱদেৱৰ বাণীৰে—

"বিষয় সম্পদ সুখ সমস্ত যোনিতে পায়
হৰিসেৱা একো থানে নাই।
হৰিৰ সেৱা যোগ্য কেৱল মনুষ্য তনু
জানি ফুৰা হৰি গুণ গাই॥"

—নামঘোষা

॥ সমাপ্ত॥